**অনুবন্ধ-4**

## নিৰ্দেশনা টোকা- গ্ৰাহকৰ (client / investor)বাবে কৰিবলগীয়া আৰু কৰিব নলগীয়া সমূহ

### কৰিবলগীয়া

1. এক্সচেঞ্জৰ পঞ্জীকৃত সদস্যৰ (Members/Stock Brokers)দ্বাৰাহে ট্ৰেড কৰক। সদস্যজন এক্সচেঞ্জৰ সৈতে পঞ্জীকৃত হয় নে নহয় পৰীক্ষা কৰাৰ বাবে চাওক.............................................................
2. ট্ৰেডিং আৰম্ভ কৰাৰ পূৰ্বে ‘ আপোনাৰ গ্ৰাহকক জানক (KYC)’ আবেদন পূৰণৰ বাবে আগ্ৰহ দেখুৱাওক।
3. আপোনাৰ অনন্য গ্ৰাহক কোড (UCC) প্ৰাপ্তিৰ বাবে আগ্ৰহ দেখুৱাওক আৰু আপোনাৰ সকলো ট্ৰেড যাতে UCCৰ অধীনত হয় তাৰ লক্ষ্য ৰাখক।
4. ‘ক্ষতিশংকা প্ৰকটকৰণ চুক্তি’ পঢ়ি তাত স্বাক্ষৰ কৰাৰ বাবে আগ্ৰহ দেখুৱাওক।
5. সদস্যৰ পৰা তেওঁৰ সৈতে কৰা সকলো তথ্যৰ প্ৰতিলিপি আৰু KYC-ৰ প্ৰতিলিপি প্ৰাপ্ত কৰক।
6. ............................................ত প্ৰাপ্ত ট্ৰেড বৈধতাকৰণ সুবিধাৰ জৰিয়তে আপোনাৰ ট্ৰেড প্ৰকৃত হয় নে নহয় নিশ্চিত কৰক। ট্ৰেডৰ তাৰিখৰ 5টা কৰ্ম দিনতে আপুনি ট্ৰেড অনলাইন যোগে পৰীক্ষণ কৰিব পাৰে।
7. ট্ৰেডৰ 24 ঘন্টাৰ ভিতৰত প্ৰতিটো সম্পন্নৰ বাবে স্বাক্ষৰিত চুক্তি সংগ্ৰহ কৰক য’ত আপোনাৰ UCC-ৰ সৈতে ট্ৰেডৰ সবিশেষ বৰ্ণন থাকিব।
8. চুক্তিত যাতে সদস্যৰ পঞ্জীয়ন নম্বৰ, অ’ৰ্ডাৰ নম্বৰ, অ’ৰ্ডাৰ সময়, ট্ৰেড নম্বৰ, ট্ৰেডৰ নিৰিখ, পৰিমাণ, মীমাংসা দফা আদি উল্লেখ থাকে তাৰ নিশ্চিত হওক।
9. মাৰ্জিনৰ বিপৰীতে সদস্যৰ সৈতে কৰা সকলো ধনৰ পৰিমাণৰ প্ৰাপ্তি পত্ৰ সংগ্ৰহ কৰক।
10. এক্সচেঞ্জ লগতে নিয়ামক, চৰকাৰে জাৰি কৰা নিয়ম, উপবিধি, বিনিয়ম, চাৰ্কুলাৰ, নিৰ্দেশনা, জাননীৰ জৰিয়চে আগবাঢ়ক আৰু আপোনাৰ লগতে সদস্যৰ অধিকাৰৰ বিষয়ে জ্ঞাত হওক।
11. লেনদেনৰ পূৰ্বে সদস্যৰ সৈতে আপোনাৰ সকলো ধৰণৰ জিজ্ঞাসা সমাধান কৰক।
12. প্ৰতিটো সম্পাদিত কাৰ্যৰ পিছতে বিল প্ৰাপ্তিৰ বাবে আগ্ৰহ দেখুৱাওক।
13. 7টা কৰ্মদিনৰ ভিতৰত আপোনাৰ লেজাৰ একাউন্ট আৰু বিবৃতিৰ বাবে সদস্যৰ পৰা মাহিলি বিবৃতি পত্ৰ সংগ্ৰহ কৰক। কোনো অভিযোগ থাকিলে 15 দিনৰ ভিতৰত এক্সচেঞ্জত অভিযোগ দাখিল কৰক।
14. আপুনি জমা কৰা অংশীদাৰীৰ পৰা লেনদেন আৰু স্থগিত বিবৃতি ভালদৰে পৰীক্ষণ কৰক।
15. DP-ৰ দ্বাৰা প্ৰদান কৰা ডেলিভাৰী ইনষ্ট্ৰাকচন শ্লিপ বুক (DIS) সমূহ সুৰক্ষিত স্থানত থওক।
16. আপোনাৰ DIS নম্বৰ আৰু একাউন্ট নম্বৰ (UCC) আপোনাৰ DIS বুকত পুনৰ প্ৰকাশ পোৱাটো নিশ্চিত কৰক।
17. একাউন্ট সঘনাই ব্যৱহাৰ নকৰিলে হবা দীৰ্ঘদিন অনুপস্থিত থাকিলে আপোনাৰ ডীমেট একাউন্ট ফ্ৰীজ কৰি থওক।
18. সময়মতে মাৰ্জিনৰ ধন চেক যোগে প্ৰদান কৰি ইয়াৰ প্ৰাপ্তি পত্ৰ সংগ্ৰহ কৰক।
19. নিৰ্ধাৰিত সময়ত বিক্ৰীৰ ক্ষেত্ৰত কম’ডিটিসমূহ (Commodities)প্ৰদান কৰক আৰু ক্ৰয়ৰ ক্ষেত্ৰত ধন প্ৰদান কৰক।

20. ডিৰাভেটিভসমূহৰ একাউন্ট ষ্টেণ্ডাৰ্ডসমূহৰ বিষয়ে অৱগত হওক।
21. আপোনাৰ আৰু সদস্যৰ মাজত যদি কিবা স্বেচ্ছামূলক দফাৰ বাবে সন্মতিৰ বুজাবুজি হৈছে সেয়া ভালদৰে পঢ়ি স্বাক্ষৰ কৰক। মন কৰিব যে আপোনাৰ সন্মতি অবিহনে আপোনাৰ আৰু সদস্যৰ মাজত হোৱা বুজাবুজিৰ দফাৰ পৰিৱৰ্তন কৰিব নোৱাৰি।
22. ট্ৰেডিঙৰ বাবে সদস্যই আপোনাৰ পৰা আহৰণ কৰা ব্ৰ'কাৰেজ, কমিচন, মাননী আৰু অন্যান্য খৰচসমূহৰ বিষয়ে ভালদৰে অৱগত হওক আৰু/SEBI কম'ডিটি এক্সচেঞ্জে (Commodity exchanges) প্ৰদান কৰা নিৰ্দেশনাসমূহৰ বিষয়েও ভালদৰে অৱগত হওক।
23. সদস্যজনৰ একাউন্টৰ ঠিকনাত চেক প্ৰদান কৰক। অনুগ্ৰহ কৰি আপোনাৰ ওচৰত ধন প্ৰদান/সদস্যৰ সৈতে কম'ডিটি জমাৰ প্ৰমাণ, দেয় তাৰিখ, কম'ডিটি, পৰিমাণ, কোনটো বেংক/ডিমেট একাউন্টত সেই কম'ডিটি জমাৰ পৰিমাণ (ৱেৰহাউচ প্ৰাপ্তি পত্ৰ অনুসাৰে) আদি থকাটো নিশ্চিত হওক।
24. এক্সচেঞ্জক প্ৰদান কৰা দিনটোৰ এটা কৰ্মদিনৰ ভিতৰতে আপোনাৰ কমডিটি (এই ক্ষেত্ৰত যদি হয়)ৰ জমাৰ পুঁজি পেআউট নহব, যেতিয়ালৈ আপোনাক সদস্যৰ চলি থকা একাউন্টৰ বাবে নিৰ্দেশনা দিয়া নহব। এই ক্ষেত্ৰত আপোনাৰ দ্বাৰা সদস্যক প্ৰদান কৰা চলিত একাউন্টাৰ স্বীকৃতি নিম্নলিখিত ধৰণে হ'ব পাৰে:
    a) স্বীকৃতি আপোনাৰ দ্বাৰা কেৱল তাৰিখ প্ৰদান আৰু স্বাক্ষৰিত হ'ব লাগিব আৰু এই দফা আপুনি যিকোনো সময়তে বাতিল কৰিব পাৰে।
    b) আপুনি সদস্যৰ পৰা 7টা (সাত) কৰ্ম দিনৰ ভিতৰত পুঁজি/কম'ডিটি অথবা বিবৃতি প্ৰাপ্তিৰ ইয়াৰ পৰা উৎপন্ন হ'ব পৰা বিতৰ্কৰ লিখিত টোকা সংগ্ৰহ কৰিব লাগিব। বিতৰ্কৰ ক্ষেত্ৰত ঘটনা সন্দৰ্ভত লিখিতভাৱে সম্পৰ্কীয় কম'ডিটি এক্সচেঞ্জৰ বিনিয়োগকাৰীৰ দুৰ্নীতি নিবাৰক শাখাক পলম নোহোৱাকৈ প্ৰদান কৰিব লাগিব।
    c) যদি আপুনি একাউন্ট চলাই থাকিব বিচৰা নাই আৰু পে' আউটৰ পৰৱৰ্তী কৰ্মদিনৰ ভিতৰতে এক্সচেঞ্জৰ পৰা প্ৰাপ্তি পত্ৰ পোৱা নাই, তেন্তে সদস্যক অৱগত কৰক। যদি তাতে বিতৰ্ক হয়, আপুনি সম্পৰ্কীয় কম'ডিটি এক্সচেঞ্জৰ বিনিয়োগকাৰীৰ দুৰ্নীতি নিবাৰক শাখাক লিখিতভাৱে অভিযোগ দাখিল সন্দৰ্ভত নিশ্চিত হওক।
    d) ট্ৰেড নিশ্চিতি এলাৰ্ট/লেনেদনৰ সবিশেষ SMS বা ইমেইলৰ যোগে কম'ডিটি এক্সচেঞ্জৰ পৰা ট্ৰেডিং ডে'ৰ শেষৰ দিনা প্ৰাপ্ত কৰিবলৈ সদস্যৰ সৈতে আপোনাৰ ম'বাইল নম্বৰ আৰু ই-মেইল ঠিকনা পঞ্জীয়ন কৰক।
25. সদস্যৰ সৈতে জমা কৰা ধন অথবা অন্য সম্পত্তি সন্দৰ্ভত আপুনি পৰিচিত হ'ব লাগে বিশেষকৈ কম'ডিটি ডিৰাইভেটিভ (Commodity Derivatives) ডিফল্ট বা সদস্যজন অস্তিত্বহীন বা দেউলীয়া হোৱাৰ ক্ষেত্ৰত।
26. আপোনাৰ সকলো ধন বা সম্পত্তিৰ জমাৰ সকলো তথ্যসম্বলিত প্ৰমাণ যাতে আপোনাৰ ওচৰত থাকে তাৰ নিশ্চিত হওক।
27. যদি আপোনাৰ অভিযোগ কৰ্তৃপক্ষৰ দ্বাৰা নিষ্পত্তি হোৱা নাই তেন্তে বিষে আপুনি কম'ডিটি এক্সচেঞ্জত উত্থাপন কৰিব পাৰে। ইয়াতো যদি আপুনি সন্তুষ্ট নহয় তেন্তে/SEBI-ত আপোনাৰ অভিযোগ দাখিল কৰিব পাৰে।

যদি আপোনাৰ অভিযোগ কৰ্তৃপক্ষৰ দ্বাৰা নিষ্পত্তি হোৱা নাই তেন্তে বিষে আপুনি কম'ডিটি এক্সচেঞ্জত উত্থাপন কৰিব পাৰে। ইয়াতো যদি আপুনি সন্তুষ্ট নহয় তেন্তে /SEBI-ত আপোনাৰ অভিযোগ দাখিল কৰিব পাৰে। **নকৰিবলগীয়া**

1. কোনো অপঞ্জীকৃত সংস্থাৰ সৈতে লেনদেন নকৰিব।
2. কোনো অফ-মাৰ্কেটৰ লেনদেন নকৰিব যিহেতু এই লেনদেন অবৈধ আকু এক্সচেঞ্জৰ ন্যায়ক্ষেত্ৰৰ বাহিৰত।
3. কোনো সদস্যৰ সৈতে নিশ্চিত ধন প্ৰাপ্তিৰ ব্যৱস্থাত নোসোমাব।
4. কোনো ধৰণৰ উৰাবাতৰি, মুখৰোচক কাহিনী আৰু প্ৰতাৰণাপূৰ্ণ প্ৰতিজ্ঞাত আৱদ্ধ নহ'ব।
5. সদস্যৰ সৈতে কোনো ধৰণৰ লেনদেন নগদত নকৰিব।
6. ক্ষতিশংকা প্ৰকটকৰণ নপঢ়াকৈ কোনো ট্ৰেডিং নকৰিব।
7. ফোনৰ জৰিয়তে প্ৰাপ্ত উচ্চ মান লিখিত ৰূপত থ'বলৈ অৱহেলা নকৰিব।
8. নকল বা স্বাক্ষৰ নথকা তথ্য গ্ৰহণ নকৰিব।
9. অস্বীকৃতপ্ৰাপ্ত ব্যক্তিৰ দ্বাৰা স্বাক্ষৰ কৰা তথ্য গ্ৰহণ নকৰিব।
10. কাৰো সৈতে ইন্টাৰনেট ট্ৰেডিং একাউন্টৰ পাছৱৰ্ড বিনিম. নকৰিব।
11. সদস্যক কম'ডিটি প্ৰদান/ধন প্ৰদানৰ ক্ষেত্ৰত বিলম্ব নকৰিব।
12. বিনিয়োগ থকা ক্ষতিশংকাসমূহৰ টোকা গ্ৰহণ কৰিবলৈ নাপাহৰিব।
13. সময় ৰাহি কৰিবলৈ কম'ডিটি প্ৰদান, জমা আৰু অথবা/ ইয়াক জমাকাৰী অংশীদাৰী (DP)ৰ হাতত ধন প্ৰদানৰ বাবে উকা ডেলিভাৰী ইনষ্ট্ৰাকচন শ্লিপত (DIS) স্বাক্ষৰ নকৰিব।
14. এক্সচেঞ্জৰ নিৰ্ধাৰিত মূল্যতকৈ অধিক পৰিমাণ ব্ৰ'কাৰেজক নিদিব।
15. স্বীকৃতপ্ৰাপ্ত ব্যক্তিৰ নামত চেক প্ৰদান নকৰিব।

**পৰিশিষ্ট A**

**ইলেক্ট্ৰ'নিক চুক্তি টোকা (ECN)– ঘোষণা পত্ৰ**
**(স্বেচ্ছামূলকভাৱে)**

**প্ৰতি,**

**(সদস্য** (Members / Stock Brokers)
**ৰ নাম এক্সচেঞ্জৰ সৈতে)**

**মাননীয় মহোদয়,**

**মই,________________________________________________ এজন গ্ৰাহক** (client / investor) **সদস্যৰ সৈতে মেচাৰ্চ________________________ৰ________________________________এক্সচেঞ্জ নিম্নোক্ত অনুসাৰে ঘোষণা কৰিছোঁ:**

- **মই এই বিষয়ে জ্ঞাত যে সদস্যগৰাকীয়ে কায়িক চুক্তি টোকা মোৰ দ্বাৰা দেয় সকলো ট্ৰেড অনুসাৰে প্ৰদান কৰিব যেতিয়ালৈ মই নিজে এয়া ইলেক্ট্ৰ'নিক মাধ্যমত নিবিচাৰোঁ।**
- **মই এই বিষয়ে জ্ঞাত যে সদস্যগৰাকীয়ে মোৰ অনুৰোধ মৰ্মে তথা মোৰ সুবিধাৰ্থে ইলেক্ট্ৰ'নিক চুক্তি টোকা প্ৰদান কৰিব।**
- **যদিও সদস্যগৰাকীয়ে কায়িক চুক্তি টোকা প্ৰদান কৰা প্ৰয়োজন, মই কায়িক চুক্তি টোকাৰ প্ৰাপ্তি স্বীকাৰত সমস্যাৰ সন্মুখীন হৈছোঁ। সেয়ে, মই স্বেচ্ছামূলকভাৱে সকলো দেয়/নিৰ্দেশিত ট্ৰেডসমূহৰ ইলেক্ট্ৰ'নিকভাৱে চুক্তি টোকা প্ৰদানৰ বাবে অনুৰোধ কৰিছোঁ।**
- **মই নিয়মীয়াকৈ কম্পিউটাৰ আৰু ইণ্টাৰনেট ব্যৱহাৰ কৰোঁ তথা ইমেইল ব্যৱহাৰৰ প্ৰয়োজনীয় জ্ঞান মোৰ আছে।**
- **মোৰ ইমেইল আইডি হ'ল* __________________________________। এইটো কেৱল মোৰ দ্বাৰা সৃষ্ট অন্য কাৰো দ্বাৰা নয়।**
- **মই জ্ঞাত যে এই ঘোষণা পত্ৰখন ইংৰাজী ভাষাত অথবা মোৰ জ্ঞাত যিকোনো ভাষাত হোৱা উচিত।**
- **মই জ্ঞাত যে উপৰোক্ত ইমেইল আইডিত চুক্তি টোকাৰ প্ৰদান সদস্যৰ দ্বাৰা বাউন্সড মেইলৰ জাননী অপ্ৰাপ্তিৰ বিৱৰণ জনোৱা হ'ব।**

***পৰিশিষ্টত ECN–ৰ উপৰোক্ত ঘোষণা তথা নিৰ্দেশনা মই অধ্যয়ন কৰিছোঁ তথা বুজিছোঁ। মই কায়িক চুক্তি টোকা প্ৰদানৰ ক্ষতিশংকাৰ বিষয়ে জ্ঞাত আৰু ইয়াৰ বাবে মই সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছোঁ।***
****(এই ইমেইল আইডি ক্লায়েণ্টৰ হাতৰ আখৰেৰে লিখাটো বাধ্যতামূলক।)***

**ক্লায়েণ্টৰ নামঃ ____________________________________**
**ক্লায়েণ্ট অনন্য কোডঃ ______________________________**
**পানঃ ________________________________________**
**ঠিকনাঃ ______________________________________**
**ক্লায়েণ্টৰ স্বাক্ষৰ**
**তাৰিখঃ**
**স্থানঃ**
**ক্লায়েণ্টৰ স্বাক্ষৰৰ বৈধতা পৰীক্ষণ কৰা হৈছে,**
**সদস্যৰ পদাংকিত বিষয়াৰ নাম**
**স্বাক্ষৰ**

## অনুবন্ধ-3 (KYC তথ্যৰ)

**সদস্য** (Members / Stock Brokers)**, স্বীকৃতপ্ৰাপ্ত ব্যক্তি** (Authorized Persons) **আৰু গ্ৰাহক** (client / investor)**ৰ অধিকাৰ তথা দায়িত্বসমূহ**

**SEBI-ৰ আৰু কম'ডিটি এক্সচেঞ্জ** (Commodity Exchanges) **অনুসৰি**

1. গ্ৰাহকে সেই কম'ডিটি (Commodities)/চুক্তি/অন্য মাধ্যমত বিনিয়োগ/লেনদেন কৰিব যিবোৰ সময়ে সময়ে ইচ্ছা কৰা এক্সচেঞ্জৰ নিয়ম আৰু ব্যৱসায়িক নিয়ম/উপবিধি তথা বিনিয়ম SEBI তথা চাৰ্কুলাৰ/জাননীৰ অধীনত এক্সচেঞ্জত লেনদেনৰ বাবে ভৰ্তি কৰোৱা হৈছে।

2. এক্সচেঞ্জৰ নিয়ম, উপবিধি তথা বিনিয়ম আৰু ব্যৱসায়িক নিয়ম আৰু ইয়াৰ অধীনত জাৰি কৰা চাৰ্কুলাৰ/জাননী আৰু SEBI-ৰ বিনিয়মসমূহ তথা চৰকাৰী কৰ্তৃপক্ষৰ সংলগ্ন অধিসূচনা যিবোৰ সময়ে সময়ে কাৰ্যকৰী হয়, সদস্য, স্বীকৃতপ্ৰাপ্ত ব্যক্তি আৰু গ্ৰাহকে এইসমূহ মানি চলাটো বাধ্যতামূলক।

3. সদস্যৰ কম'ডিটি আৰু/ বা ডিৰাইভেটিভ কনট্ৰেক্ট লেনদেন কৰা সামৰ্থত আৰু ষ্টক ব্ৰ'কাৰৰ জৰিয়তে অৰ্ডাৰসমূহ কাৰ্যকৰী কৰাৰ মনোকামনাত গ্ৰাহকে নিজকে সন্তুষ্ট কৰিব আৰু গ্ৰাহকে সময়ে সময়ে সদস্যৰ জৰিয়তে অৰ্ডাৰসমূহ কাৰ্যকৰী কৰাৰ পূৰ্বে নিজকে সদস্যৰ এই সামৰ্থত নিজকে একেৰাহে সন্তুষ্ট কৰিব।

4. গ্ৰাহকৰ বিশ্বাসযোগ্যতা তথা আৰ্থিক সবলতা আৰু প্ৰদান কৰিবলগীয়া সেৱাৰ সৈতে সম্পৰ্কীয় লেনদেনৰ লক্ষ্য সন্দৰ্ভত সদস্যই নিজকে একেৰাহে সন্তুষ্ট কৰিব।

5. সীমাৱদ্ধতা, দায়িত্ব আৰু সদস্যই কাৰ্য কৰা সামৰ্থক অন্তৰ্ভুক্ত কৰি সদস্যৰ কৰিবলগীয়া ব্যৱসায়ৰ প্ৰতি দায়িত্বৰ সঠিক প্ৰকৃতি গ্ৰাহকক অৱগত কৰাৰ বাবে সদস্যই পদক্ষেপ ল'ব।

6. পেছাদাৰী ব্যৱহাৰ বাবে প্ৰয়োজনীয়তাসমূহ
   a. সদস্যসকলে বিত্তীয় চুক্তি অথবা যিকোনো দায়িত্ব মুকলিৰ সময়ত পেছাদাৰী ব্যৱহাৰৰ অভ্যাস কৰা উচিত।
   b. "পেছাদাৰী ব্যৱহাৰ" ৰ অৰ্থ হ'ল যে সদস্যসকলে গ্ৰাহকৰ সৈতে যোগাযোগ কৰোঁতে পালন কৰিবলগীয়া দক্ষতা আৰু যত্নসমূহ-
      i. প্ৰকৃত বজাৰৰ অভ্যাস;
      ii. ভাল বিশ্বাসৰ আদৰ্শ;
      iii. গ্ৰাহকৰ সৈতে যোগাযোগ কৰোঁতে নিজৰ জ্ঞান, অভিজ্ঞতা আৰু সিদ্ধহস্ততাৰ প্ৰয়োগ
      iv. বিত্তীয় সামগ্ৰী* বা বিত্তীয় সেৱা গ্ৰাহকক প্ৰদান কৰা সময়ত সম্ভাৱ্য বিপদ মোকাবিলা কৰাৰ সিদ্ধহস্ততা; আৰু
      v. সদস্যৰ প্ৰতি গ্ৰাহকৰ নিৰ্ভৰশীলতা বৃদ্ধি।

   *কম'ডিটি ডিৰাইভেটিভ (Commodity derivative) চুক্তিপত্ৰ

7. গ্ৰাহকৰ সৈতে সদস্যই লেনদেন কৰোঁতে স্বীকৃতপ্ৰাপ্ত ব্যক্তিয়ে প্ৰয়োজনীয় সহযোগিতা আৰু সহায় আগবঢ়াব।

**গ্ৰাহকৰ জাননী**

8. সময়ে সময়ে ষ্টক কম'ডিটি এক্সচেঞ্জ / SEBIয়ে বাধ্যতামূলক কৰি দিয়া অনুসৰি গ্ৰাহকে সমৰ্থন কৰা নথিপত্ৰ সহ ''একাউন্ট খোলা প্ৰ-পত্ৰ''ৰ বাবে সদস্যৰ আৱশ্যকতা অনুসৰি সকলো সবিশেষ সম্পূৰ্ণভাৱে প্ৰদান কৰিব।

9. একাউন্ট খোলা নথিপত্ৰৰ বাধ্যতামূলক ব্যৱস্থাসমূহ গ্ৰাহকে জনা উচিত। গ্ৰাহকে গ্ৰহণ কৰা বিষয়ৰ সন্মতি অনুসৰি সদস্যই নিৰ্দিষ্ট কৰা যিকোনো অতিৰিক্ত দফা বা নথিপত্ৰ বাধ্যতামূলক নহ'ব।

10. একাউন্ট খোলাৰ সময়ত বা তাৰ পিছত প্ৰদান কৰা ''একাউন্ট খোলা প্ৰ-পত্ৰ''ৰ জাননীত কোনো ধৰণৰ সলনি থাকিলে গ্ৰাহকে সদস্যক ততালিকে লিখিতভাৱে জনাব যে এনে জাননীকে অন্তৰ্ভুক্ত কৰি যি দৰ্খাস্তৰ অন্ত পেলোৱা/দেউলীয়া হোৱা দৰ্খাস্ত বা অন্য কোনো মোকৰ্দমা যি তেওঁৰ সামৰ্থত প্ৰভাৱ পেলাব পাৰে। সাময়িক ভিত্তিত সদস্যক আৰ্থিক জাননী প্ৰদান কৰিব।

11. A. বিত্তীয় চুক্তিত হোৱা অনিয়মৰ পৰা সুৰক্ষা**

a. মধ্যস্থতাবিহীন চুক্তিৰ অনিয়মে সেই চুক্তি বাতিল কৰিব।

b. অনিয়মৰ অৰ্থ হ'ল-

i. বিত্তীয় চুক্তিৰ অধীনত পাৰ্টীৰ অধিকাৰ আৰু দায়িত্বৰ ভাৰসাম্যতা নহৈ গ্ৰাহকৰ ক্ষতি কৰা; আৰু

ii. সদস্যৰ বৈধতাৰ আগ্ৰহ সুৰক্ষা কাৰণভিত্তিক ভাবে অগ্ৰাহ্য কৰা

c. যদি কোনো অনিয়ম পৰিলক্ষিত হয় তেন্তে পৰিদৰ্শন কৰিবলগীয়া কাৰকসমূহ-

i. বিত্তীয় চুক্তিৰ অধীনত লেনদেন কৰা বিত্তীয় সামগ্ৰী অথবা বিত্তীয় সেৱাৰ স্বভাৱ;

ii. নিয়মসমূহৰ স্বচ্ছতা;

**কম'ডিটি এক্সচেঞ্জসমূহৰ দ্বাৰা প্ৰদান কৰা চুক্তিসমূহ

iii. অন্যান্য সদৃশ বিত্তীয় সামগ্ৰী বা বিত্তীয় সেৱাৰ বাবে বিত্তীয় চুক্তি তুলনা কৰি চোৱাৰ বাবে গ্ৰাহকক অনুমতি প্ৰদানৰ নিয়মাৱলীৰ সংবৃদ্ধি; আৰু

iv. অন্য চুক্তিৰ নিয়মাৱলীৰ ওপৰত নিৰ্ভৰশীল বিত্তীয় চুক্তিক একেটাই বুলি গণ্য কৰা।

d. একোটা নিয়ম স্বচ্ছ হ'ব তেতিয়াহে যেতিয়া-

i. ইয়াক পৰিমাৰ্জিত ভাষাত গ্ৰাহকে বুজি পোৱাকৈ প্ৰকাশ কৰা হ'ব;

ii. সহজপাঠ্য তথা পৰিষ্কাৰকৈ উপস্থাপন কৰা হ'ব; আৰু

iii. নিয়ম অনুসৰি গ্ৰাহকৰ বাবে উপলব্ধ হ'ব।

e. যদি 11.A.c. ৰ অধীনত বিত্তীয় চুক্তিৰ যদি কোনো নিয়ম উলংঘিত হৈছে, তেতিয়া পাৰ্টীয়ে বিত্তীয় চুক্তিৰ অন্যান্য নিয়মসমূহ সেই পৰ্যায়লৈ অব্যাহত ৰাখিব যিটো পৰ্যায়লৈ বিত্তীয় চুক্তি উলংঘিত নোহোৱাকৈ থাকে।

11.B.

a. 'মধ্যস্থতাবিহীন চুক্তি' অৰ্থাৎ এক চুক্তি য'ত নিয়মসমূহ 11.C. (তলত উল্লিখিত) ৰ নিয়মসমূহৰ বাহিৰে পাৰ্টী আৰু বিত্তীয় চুক্তিৰ মাজত মধ্যস্থতা কৰা নহয়-
   i. এখন বিত্তীয় চুক্তি য'ত বিত্তীয় চুক্তিৰ নিয়মসমূহ সিদ্ধান্ত গ্ৰহণত গ্ৰাহক ভেদে সদস্যৰ মধ্যস্থতা শক্তি যথেষ্ট বেছি হয়; আৰু
   ii. চুক্তিৰ এখন মানদণ্ডসম্পন্ন আবেদন।
b. ''চুক্তিৰ এখন মানদণ্ডসম্পন্ন আবেদন'' অৰ্থাৎ বিত্তীয় চুক্তি যি গ্ৰাহকৰ বাবে 11.C-ৰ নিয়মসমূহৰ বাবিৰে মধ্যস্থতা কৰা সম্ভৱ নহয়।
c. আবেদনখনৰ কিছুমান নিয়ম যদিও মধ্যস্থতা কৰিব পাৰি, বিত্তীয় চুক্তিখন মধ্যস্থতাবিহীন চুক্তি হিচাপে গণ্য কৰা হয় যদিহে-
   i. বিত্তীয় চুক্তিৰ এখন সামগ্ৰিক তথা সাৰমৰ্মমূলক মূল্যায়ন; আৰু
   ii. বিত্তীয় চুক্তিক পৰিৱেষ্টিত সাৰমৰ্মমূলক পৰিৱেশ
d. বিত্তীয় চুক্তি এখন মধ্যস্থতাবিহীন হিচাপে দাবী কৰাৰ ক্ষেত্ৰত, সদস্যসজনে সেয়া উপস্থাপন কৰা দায়িত্ব ল'ব লাগিব।

11. C.

a. ওপৰত উল্লিখিতসমূহ বিত্তীয় চুক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় যদিহে-
   i. বিত্তীয় চুক্তিৰ বিষয়বস্তু নিৰ্দেশিত কৰে;
   ii. বিত্তীয় চুক্তিৰ অধীনত বিত্তীয় সামগ্ৰী বা বিত্তীয় সেৱাৰ দিয়া অথবা দিবলগীয়া ধনৰ পৰিমাণ স্থিৰ কৰা আৰু য'ত গ্ৰাহকৰ সন্মুখত পৰিষ্কাৰভাৱে উপস্থাপন কৰা; অথবা
   iii. কোনো নিয়ম আৰু অধিনিয়মৰ অধীনত প্ৰয়োজন অনুসাৰে অথবা স্পষ্টভাৱে অনুমোদিত হ'লে।
b. 11.C-ৰ অধীনৰ অব্যাহতিয়ে লেনদেনৰ পৰিমাণৰ ওপৰত প্ৰযোজ্য নহয় যি উপস্থিতি সাপক্ষে অথবা যিকোনো বিশেষ ঘটনাৰ অনুপস্থিতি সাপক্ষে।

12. একাউন্ট খোলা প্ৰ- পত্ৰত উল্লেখ কৰা অনুসৰি গ্ৰাহকৰ সৱিশেষ বা গ্ৰাহকৰ বিষয়ে যিকোনো অন্য জাননী গোপনীয়তাৰে সদস্য আৰু স্বীকৃতপ্ৰাপ্ত ব্যক্তিয়ে পৰিপালন কৰিব আৰু তেওঁলোকে এইবোৰ কোনো ব্যক্তি/কৰ্তৃপক্ষৰ আগত ফাদিল কৰিব নোৱাৰিব যদিহে আইন/নিয়ামক আৱশ্যকতাৰ অধীনত আৱশ্যক হয় আৰু যদিহে গ্ৰাহকৰ অনুমতি ক্ৰমে সদস্যই তেওঁৰ ক্লায়েন্টৰ জাননী অন্য কোনো ব্যক্তি বা কৰ্তৃপক্ষৰ আগত ফাদিল কৰে।

13. A. ব্যক্তিগত তথ্য আৰু গোপনীয়তাৰ সুৰক্ষা

a. ''ব্যক্তিগত তথ্য'' অৰ্থাৎ গ্ৰাহক সম্বন্ধীয় যিকোনো তথ্য যিয়ে গ্ৰাহকৰ পৰিচয় প্ৰত্যক্ষ বা পৰোক্ষভাৱে উন্মুক্ত কৰে আৰু-
   i. নাম আৰু যোগাযোগ তথ্য;
   ii. ব্যক্তিবিশেষৰ বায়'মেট্ৰিক তথ্য
   iii. লেনদেন অথবা বিত্তীয় সামগ্ৰী স্থগিতকৰণৰ তথ্য
   iv. বিত্তীয় সেৱা ব্যৱহাৰৰ তথ্য অথবা
   v. নিৰ্দেশিত অন্য কিছুমান তথ্য।

13.B.

a. একোজন সদস্যই –

   i. বিত্তীয় সামগ্ৰী বা বিত্তীয় সেৱাৰ বাবে প্ৰয়োজনীয় গ্ৰাহকৰ তথ্য সংগ্ৰহ কৰিব নালাগে।
   ii. গ্ৰাহকসম্বন্ধীয় সকলো তথ্য সম্বন্ধে গোপনীয়তা অৱলম্বন কৰিব লাগে আৰু 13.B.b. ত উল্লিখিতৰ বাহিৰে তৃতীয় পক্ষৰ সন্মুখত এই তথ্য প্ৰকাশ কৰিব নালাগে;
   iii. গ্ৰাহকৰ সকলো তথ্য শুদ্ধ, সম্পূৰ্ণ তথা উন্নীতকৰণ যাতে হৈ থাকে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে;
   iv. গ্ৰাহকে তেওঁৰ ব্যক্তিগত তথ্য নিয়ামকে উল্লিখিত কৰিব পৰা বিষয়বস্তুৰ বাহিৰে যাতে অধিগ্ৰহণ কৰিব পাৰে তাৰ নিশ্চিতি প্ৰদান কৰিব লাগে; আৰু
   v. গ্ৰাহকে যাতে তেওঁৰ ব্যক্তিগত তথ্য পৰিৱৰ্তন কৰিব পাৰে তাৰ অনুমোদন কৰি সদস্যজনৰ হাতত থকা তথ্যসমূহ যাতে শুদ্ধ, সম্পূৰ্ণ আৰু উন্নীতকৰণ হয় তাৰ নিশ্চিতি প্ৰদান কৰিব লাগে।

b. একোজন সদস্যই গ্ৰাহকৰ ব্যক্তিগত তথ্য তৃতীয় পক্ষৰ সন্মুখত উন্মোচিত কৰিব পাৰে যদিহে–

   i. গ্ৰাহকৰ পৰা আগতীয়াকৈ লিখিত সন্মতি পত্ৰ পায় আৰু পৰৱৰ্তী পৰ্যায়ত যাতে এয়া অস্বীকাৰ কৰিব নোৱাৰে;
   ii. গ্ৰাহকে উন্মোচনৰ বাবে নিৰ্দেশ কৰিলে;
   iii. নিয়ামকে প্ৰকাশৰ বাবে অনুমোদন অথবা আদেশ জাৰী কৰিলে আৰু যদিহে ই নিয়মাৱলীৰ দ্বাৰা প্ৰতিৰোধ্য নকৰা পৰ্যন্ত গ্ৰাহকক প্ৰকাশৰ বিৰুদ্ধে সেই নিয়ম অথবা অধিনিয়ম উপস্থাপনৰ সুবিধা প্ৰদান কৰা হয়।
   iv. উন্মোচনৰ বাবে নিয়ম আৰু অধিনিয়মৰ প্ৰয়োজন হয় আৰু সেই নিয়ম বা অধিনিয়মে প্ৰতিৰোধ নতৰা পৰ্যন্ত গ্ৰাহকক প্ৰকাশৰ বিৰুদ্ধে সেই নিয়ম অথবা অধিনিয়ম উপস্থাপনৰ সুবিধা প্ৰদান কৰা হয়;
   v. উন্মোচন গ্ৰাহকৰ বিত্তীয় সামগ্ৰী বা বিত্তীয় সেৱাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত যদিহে সদস্যজজনে–
      1. ব্যক্তিগত তথ্য তৃতীয় পক্ষৰ সৈতে বিনিময় হ'ব বুলি গ্ৰাহকক আগতীয়াকৈ জনাই দিয়ে আৰু
      2. তৃতীয় পক্ষইও যাতে এই অংশত দিয়া ধৰণে সেই ব্যক্তিগত তথ্যৰ গোপনীয়তা ৰক্ষা কৰে তাৰ নিশ্চিয়তা ল'ব লাগে অথবা
   vi. এই উন্মোচন সক্ৰিয় জালিয়াতি, অস্বীকৃতিপ্ৰাপ্ত লেনদেন অথবা দাবীৰ সুৰক্ষাৰ বাবে নিৰ্মাণ কৰা হৈছে, যদিহে সদস্যজনে তৃতীয় পক্ষৰ পৰা এই অংশত দিয়া ধৰণে এই ব্যক্তিগত তথ্য গোপনীয়তাৰ নিশ্চিতি লৈছে।

c. ''তৃতীয় পক্ষ'' অৰ্থাৎ সদস্যৰ অথবা সেইজন ব্যক্তি যিজন একে গোটৰে সদস্য হয় তেওঁৰ বাহিৰে।

14. A. প্ৰাৰম্ভিকভাৱে আৰু অব্যাহত ভিত্তিৰ নায্য উন্মোচনৰ প্ৰয়োজনীয়তাসমূহ

a. গ্ৰাহকে লেনদেন সিদ্ধান্ত গ্ৰহণ কৰোঁতে সদস্যগৰাকীয়ে তথ্যৰ নায্য উন্মোচনৰ প্ৰতি নিশ্চিত হ'ব লাগিব।

b. নায্য উন্মোচনৰ বাবে যিবোৰ তথ্য বাধ্যতামূলক প্ৰদান কৰোঁতে –

i. বিত্তীয় চুক্তিত গ্ৰাহকে প্ৰৱেশ কৰোঁতে, গ্ৰাহকে সেই তথ্যসমূহ বুজি পাবলৈ সময় প্ৰদান কৰিব লাগিব।

ii. বিশেষ শাখাৰ গ্ৰাহকৰ বাবে তেওঁ বুজি পোৱা ধৰণে লিখিব লাগিব; আৰু

iii. গ্ৰাহকে বিত্তীয় সামগ্ৰী আৰু বিত্তীয় সেৱাৰ সাদৃশিক আন বিত্তীয় সামগ্ৰী তথা বিত্তীয় সেৱাৰ সৈতে তুলনা কৰিব পৰাকৈ তথ্য প্ৰদান কৰিব লাগে।

c. বিত্তীয় সামগ্ৰী আৰু বিত্তীয় সেৱা সন্দৰ্ভত গ্ৰাহকলৈ প্ৰকাশ কৰা তথ্যত থাকে–

i. গ্ৰাহকৰ বাবে বিত্তীয় সামগ্ৰী আৰু বিত্তীয় সেৱাৰ বৈশিষ্ট, সুবিধা, সম্ভাব্য বিপদৰ মূল তালিকাসমূহ;

ii. যি ধৰণে গ্ৰাহকৰ পৰা বিত্তীয় সামগ্ৰী আৰু বিত্তীয় সেৱাৰ বাবে ধন গ্ৰহণ কৰা হৈছে;

iii. বিত্তীয় সামগ্ৰী অথবা বিত্তীয় চুক্তিৰ অৱস্থিতি আৰু ইয়াৰ প্ৰভাৱ;

iv. সদস্যৰ পৰিচয়, নিয়ামক স্থিতি আৰু অনুমোদনৰ প্ৰকাৰ, অধিকাৰ আদি;

v. সদস্যগৰাকীৰ যোগাযোগৰ ঠিকনা আৰু তেওঁৰ লগত গ্ৰাহকৰ যোগাযোগৰ প্ৰক্ৰিয়া;

vi. নিৰ্দিষ্ট সময়ৰ ভিতৰত গ্ৰাহকে বিত্তীয় চুক্তিৰ অধিকাৰ বাতিল কৰা; আথবা

vii. নিয়ম আৰু অধিনিয়মৰ অধীনত গ্ৰাহকৰ অধিকাৰ।

14. B.

a. সদস্যগৰাকীয়ে গ্ৰাহকক বিত্তীয় সামগ্ৰী বা বিত্তীয় সেৱা প্ৰদান কৰোঁতে তলত উল্লেখ কৰা কথাসমূহ প্ৰকাশ কৰা প্ৰয়োজন–

i. গ্ৰাহকে বিত্তীয় সামগ্ৰী বা বিত্তীয় সেৱা গ্ৰহণৰ সময়ত কোনো তথ্য বা সামগ্ৰীৰ পৰিৱৰ্তন ঘটিলে 14.A অনুসৰি গ্ৰাহকগৰাকীক জনোৱা উচিত।

ii. গ্ৰাহকক তেওঁৰ বিত্তীয় সামগ্ৰীৰ পাৰদৰ্শিতাৰ স্থিতিৰ তথ্য জনোৱা উচিক যিহেতু বিত্তীয় সামগ্ৰী বা বিত্তীয় সেৱাৰ অধিকাৰৰ পৰিমাপ কৰা প্ৰয়োজন।

iii. অন্যান্য যাৱতীয় যিকোনো তথ্য।

b. এটা অব্যাহত প্ৰকাশ–

i. এটা ন্যায্য সময়ৰ ভিতৰত ঘটা যিকোনো সামগ্ৰীৰ পৰিৱৰ্তন প্ৰযোজ্য অনুসাৰে আৰু

ii. সেই শাখাৰ অন্তৰ্গত গ্ৰাহকে বুজি পোৱাকৈ লিখিত ধৰণে।

**মাৰ্জিন (উপান্ত)**

15. গ্ৰাহকে প্ৰযোজ্য প্ৰাৰম্ভিক মাৰ্জিন, উইথহ'ল্ডিং মাৰ্জিন, বিশেষ মাৰ্জিন বা এনে অন্য মাৰ্জিন আদায় দিব যিবোৰ সদস্যই বা এক্সচেঞ্জে আৱশ্যকীয় বুলি বিবেচনা কৰে বা সময়ে সময়ে SEBI-য়ে আদেশ দিয়ে যে গ্ৰাহকে লেনদেন কৰা শাখাসমূহত প্ৰযোজ্য হয়। নিজৰ তথা সম্পূৰ্ণ বিবেচনাত সদস্যক অতিৰিক্ত মাৰ্জিন (উপান্ত) সংগ্ৰহ কৰাত অনুমতি দিয়া হয় (যদিও এক্সচেঞ্জ বা SEBI-ৰ দ্বাৰা আৱশ্যক নহয়) আৰু নিৰ্ধাৰিত সময়ত এনে মাৰ্জিন আদায় দিবলৈ গ্ৰাহক বাধ্য হ'ব।

16. গ্ৰাহকে এই কথা বুজি পায় যে তেওঁলোকে আদায় দিয়া মাৰ্জিনে সকলো বকেয়াৰ সম্পূৰ্ণ সন্তুষ্টি নুবুজায়। অবিৰত মাৰ্জিন আদায় দি থকা স্বত্বেও গ্ৰাহকে তেওঁৰ লেনদেন বন্দোৱস্তিৰ সময়ত এনে পৰিমাণৰ টকা চুক্তিয়ে কোৱা আৱশ্যকীয় বুলি বিবেচনা কৰা মতে আদায় দিব (বা পাব পাৰে) লগীয়া হ'ব পাৰে।

**লেনদেন আৰু বন্দোৱস্তিসমূহ**

17. গ্ৰাহকে কম'ডিটী ডিৰাভেটিভ কনট্ৰেক্ট ক্ৰয় আৰু বিক্ৰী কৰাৰ হেতুকে লিখিতভাৱে বা এনেভাৱে যেনেকৈ সদস্যৰ সৈতে গ্ৰাহকে একত্ৰিতভাৱে সন্মত হৈছে আৰু তেনেদৰে কোনো অৰ্ডাৰ দিব পাৰে তথা সদস্যগৰাকীয়ে এই ক্ষেত্ৰত প্ৰয়োজন হোৱা নিয়ামকসমূহ নিশ্চিত কৰে। সদস্যই কেৱল গ্ৰাহকক দিয়া ইউনিক ক্লায়েন্ট ক'ডত গ্ৰাহকৰ ট্ৰেড অৰ্ডাৰ দি কাৰ্যকৰী কৰাটো নিশ্চিত কৰিব।

18. সদস্যগৰাকীয়ে গ্ৰাহকক ট্ৰেডিং/ছেটলমেণ্ট চক্ৰ, ডেলিভাৰী/পে'মেণ্ট বা অন্য কিছু পৰিৱৰ্তনৰ বিষয়ে সময়ে সময়ে অৱগত কৰি থাকিব আৰু গ্ৰাহকগৰাকীয়ে এনেধৰণৰ অনুসূচী/প্ৰক্ৰিয়া যি ট্ৰেড প্ৰক্ৰিয়াকৰণ হোৱা কম'ডিটি এক্সচেঞ্জৰ সৈতে সম্পৰ্কিত আদিৰ প্ৰতি সঁহাৰি জনাব।

19. সদস্যই এইটো নিশ্চিত কৰিব যে গ্ৰাহকে জমা দিয়া ধন এটা পৃথক একাউন্টত ৰখা হ'ব, যিটো তেওঁৰ/ইয়াৰ নিজৰ একাউন্টতকৈ বা অন্য গ্ৰাহকৰ একাউন্টতকৈ বেলেগ হ'ব আৰু সদস্যই ইয়াক তেওঁৰ/ নিজৰ বাবে বা যিকোনো গ্ৰাহকৰ বাবে বা যিকোনো অন্য উদ্দেশ্যেৰে ব্যৱহাৰ কৰিব নোৱাৰিব, কেৱল SEBI-ৰ নিয়ম, চাৰ্কুলাৰ, জাননী, মাৰ্গদৰ্শিকা আৰু বা এক্সচেঞ্জৰ নিয়ম, ব্যৱসায়িক নিয়ম, উপবিধি, চাৰ্কুলাৰ আৰু জাননীয়ে নিৰ্দিষ্ট কৰা উদ্দেশ্যৰ বাহিৰে।

20. যেতিয়া এক্সচেঞ্জে ট্ৰেড চুঅ' ম'ট' বাতিল কৰে সকলো এনেধৰণৰ লেনদেন য'ত অন্তৰ্ভুক্ত থাকে ক্লায়েন্টৰ হৈ কৰা ট্ৰেড, এইবোৰো ইপ্সো ফেক্টো বাতিল হ'ব, সদস্যই গ্ৰাহকৰ সৈতে কৰা নিজ নিজ কনট্ৰেক্টসমূহো বাতিল হ'ব।

21. এক্সচেঞ্জত কৰা লেনদেনসমূহ নিয়ম, উপবিধি আৰু ব্যৱসায়িক নিয়মসমূহৰ তথা চাৰ্কুলাৰ/জাননীন অধীন যিবোৰ এক্সচেঞ্জত জাৰি কৰা হয় য'ত লেনদেন কাৰ্যকৰী কৰা হয়। এনে ট্ৰেড কৰা সকলো পাৰ্টিয়ে এক্সচেঞ্জৰ উপবিধি তথা ব্যৱসায়িক নিয়মৰ দ্বাৰা নিৰ্দিষ্ট কৰা এনে ন্যায়ালয়ৰ এক্তিয়াৰত জমা দিব য'ত লেনদেন কাৰ্যকৰী কৰা হয় এই বাবে যে এক্সচেঞ্জৰ নিয়ম, উপবিধি তথা ব্যৱসায়িক নিয়মৰ ব্যৱস্থাসমূহ তথা ইয়াৰ অধীনৰ চাৰ্কুলাৰ/জাননীসমূহ কাৰ্যকৰী হয়।

**ব্ৰ’কাৰেজ**

22. গ্ৰাহকে সদস্যক ব্ৰ’কাৰেজ দিয়া আৰু পৰিনিয়ত কৰ আদায় দিয়া উচিত যেনেকৈয়ে এই সময়ে সময়ে প্ৰচলন হয় আৰু যিদৰে এইবোৰ গ্ৰাহকৰ একাউন্ট, লেনদেন গ্ৰাহকক সদস্যই প্ৰদান কৰা সেৱাৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। সংলগ্ন কম’ডিটি এক্সচেঞ্জৰ নিয়ম, ব্যৱসায়িক নিয়ম আৰু উপবিধি আৰু/ বা SEBI–ৰ নিয়ম আৰু ব্যৱসায়িক নিয়ম অনুসৰি অনুমতিক্ৰমে সদস্যই উচ্চতম ব্ৰ’কাৰেজৰ অতিৰিক্ত ব্ৰ’কাৰেজ ল’ব নোৱাৰিব।

**স্থিতিৰ লিকুইডেশ্বন আৰু বন্ধ কৰা**

23. সদস্যৰ অন্য অধিকাৰসমূহৰ (এটা কথা মধ্যস্থতাকৰণৰ বাবে দিয়া অধিকাৰকো অন্তৰ্ভুক্ত কৰি) পক্ষপাতমূলক ধাৰণা নলৈ, গ্ৰাহকে বুজি পাব যে মাৰ্জিন বা অন্য বকেয়া পৰিমাণ আদায় নিদিয়াৰ বাবে গ্ৰাহকৰ সকলো বা যিকোনো স্থিতি লিকুইডেট/বন্ধ কৰাৰ অধিকাৰ সদস্যৰ আছে তথা এনে লিকুইডেশ্বন/বন্ধৰ পৰা ওলোৱাখিনি যদি আছে গ্ৰাহকৰ দায়িত্ব/কৰ্তব্যত মিলাই দিব। এনে লিকুইডেশ্বন/বন্ধৰ বাবে হোৱা সকলো আৰ্থিক মূল্য বা লোকচান গ্ৰাহকে বহন কৰিব।

24. গ্ৰাহকৰ মৃত্যু বা দেউলীয়া হোৱা বা তেওঁ গ্ৰহণ কৰা বা আদায় দিব নোৱাৰা হোৱা বা কম’ডিটি প্ৰদান অথবা স্থানান্তৰ কৰিব নোৱাৰা, যিটো গ্ৰাহকে ক্ৰয় বা বিক্ৰী কৰাৰ অৰ্ডাৰ দিছে, তেনেক্ষেত্ৰত সদস্যই গ্ৰাহকৰ এষ্টেটৰ (সম্পত্তি) লেনদেন বন্ধ কৰি লোকচানৰ বাবে দাবী কৰিব পাৰে, যদি আছে। ইয়াৰ পৰা ওলোৱা অতিৰিক্তখিনিৰ ওপৰত গ্ৰাহক বা তেওঁৰ/ইয়াৰ মনোনীত ব্যক্তি, উত্তৰাধিকাৰী আৰু স্বত্ব নিয়োগীৰ অধিকাৰ থাকিব। গ্ৰাহকে এই কথা মনত ৰাখিব লাগিব যে মনোনীত ব্যক্তিৰ নামত পুঁজি/কম’ডিটি স্থানান্তৰ কৰাটো আইনগত উত্তৰাধিকাৰীৰ বাবে সদস্যৰ দ্বাৰা বৈধতা দেয় হ’ব।

**বিবাদৰ মীমাংসা**

25. সদস্যৰ জৰিয়তে কৰা সকলো লেনদেনৰ সন্দৰ্ভত আৰু বেয়া শ্বেয়াৰৰ ডেলিভাৰী আঁতৰোৱা মীমাংসা কৰাত সদস্যই গ্ৰাহকৰ সৈতে সহযোগ কৰিব।

26. ডিপ’জিট, মাৰ্জিন ধন ইত্যাদিৰ ক্ষেত্ৰত যিকোনো দাবী আৰু/বা বিবাদ গ্ৰাহক তথা সদস্যই এক্সচেঞ্জৰ নিয়ম, উপবিধি আৰু ব্যৱসায়িক নিয়ম অনুসৰি মধ্যস্থতাৰ বাবে জনাব, যি এক্সচেঞ্জত সময়ে সময়ে চাৰ্কুলাৰ/জাননী জাৰি কৰা হয়।

27. গ্ৰাহকে/সদস্যই বুজি পায় যে বিবাদ মীমাংসাৰ বাবে এজন প্ৰাধিকৃত প্ৰতিনিধিয়ে জাৰি কৰা নিৰ্দেশসমূহ, যদি আছে, গ্ৰাহক/সদস্যৰ দায়িত্ব থাকিব যিটো উল্লিখিত প্ৰতিনিধি পত্ৰৰ মতে হ’ব যিথন গ্ৰাহক/সদস্যৰ হৈ লেনদেন কৰাৰ অনুমতি দিয়ে।

28. গ্ৰাহকৰ সুবিধাৰ বাবে সকলো সদস্যৰ হাতত দুৰ্নীতি নিবাৰকৰ ব্যৱস্থা মজুত থাকিব লাগে।
    a. গ্ৰাহকে উত্থাপন কৰা বিত্তীয় সামগ্ৰী বা বিত্তীয় সেৱাৰ অভিযোগ প্ৰাপ্ত তথা খণ্ডন কৰিব পৰা ব্যৱস্থা অথবা ইয়াৰ বিকল্প হিচাপে সফলতাৰে সমাধান কৰিব পৰা ক্ষমতা সদস্যজনৰ হাতত থাকিব লাগে।
    b. গ্ৰাহকৰ সৈতে সম্বন্ধ স্থাপন হোৱাৰ সময়ত বা অন্য কোনো সময়ত সদস্যই গ্ৰাহকগৰাকীক অৱগত কৰোৱা উচিত–

i. যিকোনো দুৰ্নীতিৰ বিৰুদ্ধে গ্ৰাহকগৰাকীয়ে অভিযোগ কৰাৰ অধিকাৰ আছে; আৰু
ii. গ্ৰাহকৰ দ্বাৰা উত্থাপিত অভিযোগ সদস্য গৰাকীয়ে নিবাৰণ কৰাৰ প্ৰক্ৰিয়া।

29. A. গ্ৰাহকৰ বাবে প্ৰশস্ত পৰামৰ্শ

গ্ৰাহকৰ বিত্তীয় পৰিৱেশ আৰু প্ৰয়োজন অনুসৰি প্ৰশস্ত পৰামৰ্শ গ্ৰাহকে প্ৰাপ্ত কৰাৰ অধিকাৰ থাকে। এই দায়িত্ব সেইজন ব্যক্তিলৈ যায় যিয়ে গ্ৰাহকক পৰামৰ্শ প্ৰদান কৰে আৰু নিয়ামকে বিত্তীয় সামগ্ৰী তথা সেৱাৰ ক্ষেত্ৰত প্ৰদান কৰিবলগীয়া উপদেশৰ শাখা নিৰ্ধাৰণ কৰিব পাৰে।

a. একোজন সদস্যই –

i. গ্ৰাহকৰ ব্যক্তিগত পৰিস্থিতি সম্পৰ্কীয় সকলো তথ্য শুদ্ধ আৰু পৰ্যাপ্ত পৰিমাণত প্ৰাপ্তিৰ বাবে পূৰ্ণ চেষ্টা কৰা; তথা

ii. গ্ৰাহকৰ প্ৰয়োজন বিশেষে আগবঢ়োৱা পৰামৰ্শ যাতে তেওঁৰ বাবে প্ৰয়োজ্য হয় সেয়া নিশ্চিত হোৱা।

b. যদি একোজন সদস্যই গ্ৰাহকৰ তথ্য অসম্পূৰ্ণ হোৱা পৰিলক্ষিত কৰে, তেন্তে সদস্য গৰাকীয়ে সেই অসম্পূৰ্ণ তথ্য বা অশুদ্ধ তথ্যৰ ভিত্তিত গ্ৰাহকগৰাকী আগবাঢ়িব খুজিলে তেওঁক সতৰ্ক কৰি দিব লাগে।

c. যদি এজন গ্ৰাহকে কোনো বিত্তীয় সেৱা বা বিত্তীয় সামগ্ৰী প্ৰাপ্ত কৰিব বিচাৰে আৰু সদস্যই যদি সেয়া অযুগুত বুলি ধাৰণ কৰে তেন্তে সদস্যগৰাকীয়ে–

i. গ্ৰাহকগৰাকীয়ে বুজি পোৱা ধৰণে লিখিত আকাৰে তেওঁক অৱগত কৰিব লাগে; আৰু

ii. 29.A.a ৰ সন্মতিৰ পিছত হে গ্ৰাহকগৰাকীক তেওঁৰ দ্বাৰা কৰা অনুৰোধৰ বিত্তীয় সামগ্ৰী আৰু বিত্তীয় সেৱা প্ৰদান কৰিব লাগে আৰু গ্ৰাহকৰ পৰা লিখিত প্ৰাপ্তি স্বীকাৰ পত্ৰ প্ৰাপ্ত কৰিব লাগে।

30. আগ্ৰহৰ মতবিৰোধৰ সৈতে মোকাবিলা কৰোঁতে

গ্ৰাহক আৰু সদস্যৰ আগ্ৰহৰ মতবিৰোধ ঘটিলে গ্ৰাহকৰ পছন্দক অগ্ৰাধিকাৰ দিব লাগে।

a. একোজন সদস্যই –

i. সদস্যই গ্ৰাহকক মতবিৰোধৰ তথ্য প্ৰদান কৰিব লাগে য'ত সদস্যগৰাকীয়ে গ্ৰাহকক দিয়া উপদেশৰ ফলত প্ৰাপ্ত হোৱা পৰিমাণৰ কথা উল্লেখ থাকে; আৰু

ii. গ্ৰাহকৰ পছন্দক অগ্ৰাধিকাৰ দিব লাগে যদিহে সদস্যগৰাকীয়ে গম পায় অথবা কৰ্তব্যৰ খাতিৰত মতবিৰোধ হোৱা কাৰণ জানিব বিচাৰে–

1. তেওঁৰ নিজৰ আৰু গ্ৰাহকৰ আগ্ৰহ; অথবা

2. সদস্য বিত্তীয় প্ৰতিনিধি হ'লে তেওঁৰ নিজৰ আৰু গ্ৰাহকৰ আগ্ৰহ।

b. 16 a.i.–ৰ তথ্যসমূহ গ্ৰাহকে বুজি পোৱা ধৰণে লিখিত আকাৰত দিব লাগে আৰু গ্ৰাহকৰ পৰা এখন প্ৰাপ্তি স্বীকাৰ পত্ৰ গ্ৰহণ কৰিব লাগে।

c. এই অধ্যায়ৰ 'মতবিৰোধ পৰিমাণ'ৰ অৰ্থ হ'ল বিত্তীয় ক্ষেত্ৰত বা অবিত্তীয় ক্ষেত্ৰত হোৱা যিকোনো লাভ গ্ৰাহকৰ বাহিৰে অন্য ব্যক্তিৰ পৰা সদস্যই প্ৰাপ্ত কৰিলে সেই প্ৰভাৱী তথ্য সদস্যই গ্ৰাহকক অৱগত কৰিব লাগে।

**সম্বন্ধৰ সমাপ্তি ঘটোৱা**

31. সদস্য আৰু গ্ৰাহকৰ মাজৰ এই সম্বন্ধৰ সমাপ্তি ঘটোৱা হ'ব। যদি সদস্যই কোনো কাৰণত কম'ডিটি এক্সচেঞ্জৰ সদস্য হোৱা বন্ধ হয় যাৰ কাৰণ এইবোৰকে অন্তৰ্ভুক্ত কৰি যেনে সদস্যৰ দোষ, মৃত্যু, ইস্তফা বা বহিষ্কৰণ বা এক্সচেঞ্জৰ দ্বাৰা প্ৰমাণপত্ৰ বাতিল কৰা হয়।

32. সদস্য, স্বীকৃতপ্ৰাপ্ত ব্যক্তি আৰু গ্ৰাহকে অন্য দলক কোনো কাৰণ নেদেখুৱাকৈ তেওঁলোকৰ মাজৰ সম্বন্ধৰ অন্ত পেলাব পাৰে, অন্য দলসমূহক লিখিতভাৱে অতি কমেও এমাহৰ জাননী দিয়াৰ পিছত। এনে কোনো অন্ত স্বত্বেও সকলো দলৰ সকলো অধিকাৰ, দায়িত্ব আৰু কৰ্তব্য যিবোৰ এই সম্বন্ধৰ অন্ত পেলোৱাৰ পূৰ্বে ধাৰ্য কৰা হৈছিল তথা ইয়াৰ পৰা উৎপন্ন হয়, এইবোৰৰ কাৰ্যকৰিতা বাহাল থাকিব আৰু নিজ নিজ পাৰ্টিসমূহৰ বা তেওঁৰ/ইয়াৰ নিজ নিজ উত্তৰাধিকাৰী, কাৰ্যনিৰ্বাহক, প্ৰশাসক, আইনগত প্ৰতিনিধি বা উত্তৰাধিকাৰী, যেনেকৈয়ে প্ৰয়োজ্য হয়, তেওঁলোকৰ ওপৰত ই বাধ্যতামূলক হ'ব।

33. স্বীকৃতপ্ৰাপ্ত ব্যক্তিৰ মৃত্যু/দেউলীয়া হোৱাৰ ক্ষেত্ৰত বা ব'ৰ্ডত তেওঁৰ পঞ্জীয়ন বাতিল হ'লে অথবা স্বীকৃতপ্ৰাপ্ত ব্যক্তিৰ স্বীকৃতি ঘূৰাই ল'লে আৰু/ বা সদস্যৰ সৈতে স্বীকৃতপ্ৰাপ্ত ব্যক্তিৰ কম'ডিটি এক্সচেঞ্জৰ দ্বাৰা সন্মতিৰ অন্ত পৰিলে, যিকোনো কাৰণবশতঃ গ্ৰাহকক এনে অন্ত পৰাৰ বিষয়ে অৱগত কৰোৱা হ'ব আৰু গ্ৰাহকক সদস্যৰ পোনপটীয়া গ্ৰাহক বুলি গণ্য কৰা হ'ব তথা সদস্য, স্বীকৃতপ্ৰাপ্ত ব্যক্তি আৰু গ্ৰাহকক পৰিচালিত কৰা ''অধিকাৰ আৰু দায়িত্ব''ৰ সকলো দফা তেনেকৈয়ে চলি থাকিব, যদিহে গ্ৰাহকে সদস্যক তেওঁলোকৰ সম্বন্ধৰ অন্ত পেলোৱাৰ বিষয়ে এখন লিখিত জাননী প্ৰায় এমাহৰ পূৰ্বে দি অৱগত নকৰে।

**অতিৰিক্ত অধিকাৰ তথা দায়িত্ব**

34. লেনদেন কাৰ্যকৰী কৰা সংলগ্ন এক্সচেঞ্জ তথা SEBI-ৰ নিয়ম, ব্যৱসায়িক নিয়ম, উপবিধি, চাৰ্কুলাৰ, জাননী আৰু মাৰ্গদৰ্শিকা অনুসৰি সময়ে সময়ে সদস্য আৰু গ্ৰাহকে তেওঁলোকৰ একাউন্টৰ মীমাংসা কৰিব।

35. সদস্যই তেওঁৰ গ্ৰাহকক এনে ফ'ৰ্মেটত লেনদেন কাৰ্যকৰী কৰাৰ বাবে এটা কনট্ৰেক্ট নোট জাৰি কৰিব যিটো সময়ে সময়ে এক্সচেঞ্জে বিহিত কৰিব পাৰে য'ত সকলো লেনদেনৰ ৰেকৰ্ড থাকিব, অৰ্ডাৰ নম্বৰ, ট্ৰেড নম্বৰ, ট্ৰেড সময়, ট্ৰেড প্ৰাইচ, ট্ৰেড গুনমান, ডিৰাভেটিভ কনট্ৰেক্টৰ সবিশেষ, ক্লায়েন্ট ক'ড, ব্ৰ'কাৰেজ, লগোৱা সকলো মূল্য ইত্যাদিকে অন্তৰ্ভুক্ত কৰি এক্সচেঞ্জে বিহিত কৰা সময়ৰ ভিতৰত সাঙুৰি। ট্ৰেড কাৰ্যকৰী কৰাৰ 24 ঘন্টাৰ ভিতৰত সদস্যই বিনিয়োগকাৰীলৈ কনট্ৰেক্ট নোটৰ হাৰ্ড কপি আৰু/ বা ডিজিটেল চহী ব্যৱহাৰ কৰি ইলেক্ট্ৰনিক পদ্ধতিত কনট্ৰেক্ট নোট পঠিয়াব।

36. প্ৰাসংগিক এক্সচেঞ্জৰ পৰা য'ত লেনদেন কাৰ্যকৰী কৰা হয়, পে'আউটৰ বাবে সদস্যই পুঁজিৰ পে'আউট বা কম'ডিটি এক্সচেঞ্জ, নিয়ম, উপবিধি, ব্যৱসায়িক নিয়ম আৰু চাৰ্কুলাৰ অনুসাৰে ডেলিভাৰী কৰিব, যিটোৱেই হয়, যদিহে গ্ৰাহকে অন্যথা নকয় আৰু এনে নিয়ম তথা চৰ্তৰ অধীন নহয় যিবোৰ সময়ে সময়ে লেনদেন কাৰ্যকৰী কৰা প্ৰাসংগিক এক্সচেঞ্জে জাৰি কৰে।

37. সদস্যই সময় বিশেষে ফাণ্ড আৰু কম'ডিটিৰ সম্পূৰ্ণ 'একাউন্টৰ বিবৃতি' প্ৰত্যেক ক্লায়েন্টলৈ পঠিয়াব লাগে যি এক্সচেঞ্জৰ নিৰ্ধাৰিত অনুসৰি তথা সময় বিশেষে ট্ৰেড কাৰ্যকৰী হোৱা ধৰণে হয়। এই

বিবৃতিত ক্লায়েন্টে প্ৰতিবেদনৰ ত্ৰুটি যদি থাকে সেয়া নিৰ্ধাৰিত সময় ভিতৰত এক্সচেঞ্জৰ নিৰ্ধাৰিত অনুসৰি তথা সময় বিশেষে ট্ৰেড কাৰ্যকৰী হোৱা অনুসৰি জনাব লাগে বুলি লিখা থাকে। আৰু সদস্য (ষ্টক ব্ৰ'কাৰ)ৰ পৰা ৰচিদ গ্ৰহণ কৰিব লাগে।

38. সদস্যই দৈনিক ভিত্তিত ক্লায়েন্টলৈ মাৰ্জিন বিবৃতি প্ৰেৰণ কৰিব লাগে। মাৰ্জিন বিবৃতিত জমা, ব্যৱহাৰ আৰু স্থিতি (উপলব্ধ বেলেঞ্চ/ক্লায়েন্টৰ পৰা পাবলগীয়া) নগদৰ পৰিমাণ, ফিক্সড ডিপোজিটৰ ৰচিদ (FDRs), বেংক গ্যাৰান্টি, পণ্যাগাৰ ৰচিদ, সুৰক্ষা আদিৰ সৈতে উল্লেখ থাকে।

39. গ্ৰাহকে এইটো নিশ্চিত কৰিব যে সদস্যৰ সৈতে সম্বন্ধ গঢ়ি তোলাত আইনগত যোগ্যতা আছে তথা তেওঁ ইয়াৰ বাবে প্ৰাধিকৃত আৰু ইয়াৰ অধীনত তেওঁ দায়িত্ব পালন কৰাৰ বাবে যোগ্য। লেনদেনৰ সকলো কথা মানি চলাটো নিশ্চিত কৰিবৰ বাবে সকলো কাৰ্য কৰা, যিটো গ্ৰাহকে কৰিব বুলি ল'ব, সেইবোৰ লেনদেনত সোমোৱাৰ পূৰ্বেই সম্পূৰ্ণ কৰিব লাগিব।

40. কোনো ক্ষেত্ৰত সদস্যগৰাকীয়ে তেওঁৰ সদস্যভুক্ত বাতিল কৰিব বিচাৰিলে, যদি প্ৰযোজ্য হয় বিনিয়োগকাৰীৰ পৰা তেওঁ দাবীৰ বাবে ৰাজহুৱা জাননী জাৰী কৰিব পাৰে। যদি সেই দাবী এক্সচেঞ্জৰ ট্ৰেডিঙৰ লগত জড়িত হয়, তেন্তে গ্ৰাহকে এক্সচেঞ্জৰ সৈতে সেই সময়ৰ ভিতৰত উপযুক্ত তথ্যৰে সৈতে যাতে দাবী উত্থাপন কৰে।

41. A. বিপথে চালিত কৰা আৰু অমাৰ্জিত ব্যৱহাৰৰ পৰা সুৰক্ষা
   a. বিত্তীয় সামগ্ৰী আৰু বিত্তীয় সেৱাৰ ক্ষেত্ৰত ন্যায়বিৰুদ্ধ ব্যৱহাৰ নিষেধ।
   b. ''ন্যায়বিৰুদ্ধ ব্যৱহাৰ''ৰ অৰ্থ সদস্য বা বিত্তীয় প্ৰতিনিধি এগৰাকীৰ দ্বাৰা হোৱা অসমতা, গ্ৰাহকৰ লেনেদনৰ দক্ষতাৰ সিদ্ধান্তত অন্তৰ্ভুক্ত হয়–
      i. 41.B–ৰ অধীনত বিপথে পৰিচালিত কৰা
      ii. 41.C–ৰ অধীনত অমাৰ্জিত ব্যৱহাৰ
      iii. তেনেকুৱা ধৰণৰ অন্য ব্যৱহাৰ।

41. B.
   a. গ্ৰাহকক লেনদেনৰ সিদ্ধান্ত যি তেওঁ হয়তো নললেহেঁতেন তেনে ক্ষেত্ৰত সদস্য বা বিত্তীয় প্ৰতিনিধিয়ে তেওঁক বিপথে পৰিচালিত কৰাৰ ব্যৱহাৰত অন্তৰ্ভুক্ত হয়–
      i. সদস্য বা বিত্তীয় প্ৰতিনিধিয়ে নিজে বিশ্বাস নকৰা গ্ৰাহকক প্ৰদান কৰা অশুদ্ধ তথ্য; অথবা
      ii. গ্ৰাহকক প্ৰতাৰণাভাৱে শুদ্ধ তথা প্ৰদান কৰা।
   b. 41.B.a.–ৰ অধীনত ব্যৱহাৰ বিপথে পৰিচালিত হৈছে নে নাই সেয়া সিদ্ধান্তৰ ক্ষেত্ৰত নিম্নোল্লিখিত কাৰকসমূহ 'নিৰ্ণায়ক কাৰক' হিচাপে প্ৰতীয়মান হয়–
      i. বিত্তীয় সামগ্ৰী অথবা বিত্তীয় সেৱাৰ প্ৰধান বৈশিষ্ট য'ত গ্ৰাহকৰ বাবে ইয়াৰ বৈশিষ্ট, লাভ আৰু সম্ভাৱ্য বিপদৰ কথা উল্লেখ থাকে;
      ii. গ্ৰাহকৰ বাবে প্ৰয়োজনীয় বিশেষ বিত্তীয় সামগ্ৰী অথবা বিত্তীয় সেৱা অথবা গ্ৰাহকৰ বাবে ইয়াৰ প্ৰশস্ততা অনুসৰি;
      iii. বিত্তীয় সামগ্ৰী অথবা বিত্তীয় সেৱাৰ বাবে প্ৰদান কৰা পৰিমাণ অথবা ইয়াৰ যিটো পদ্ধতিত ইয়াৰ গণনা কৰা হৈছে
      iv. বিত্তীয় চুক্তিত স্থিতি, বহিঃ প্ৰক্ষেপন অথবা প্ৰভাৱ যি বিত্তীয় চুক্তিৰ মেটেৰিয়েল টাৰ্ম হিচাপে বিবেচিত হয়;

v. সদস্যৰ স্বভাৱ, উপাদান আৰু অধিকাৰ য'ত তেওঁৰ পৰিচয়, নিয়ামকৰ স্থিতি অথবা সন্মতি থাকে আৰু
vi. যিকোনো নিয়ম আৰু অধিনিয়মৰ অধীনত গ্ৰাহকৰ অধিকাৰ।

41. C.

a. বিত্তীয় সামগ্ৰী অথবা বিত্তীয় সেৱা সম্পৰ্কীয় ব্যৱহাৰত সদস্য বা বিত্তীয় প্ৰতিনিধিৰ ব্যৱহাৰ অমাৰ্জিত হ'ব পাৰে যদিহে-
   i. বলপ্ৰয়োগ বা প্ৰভাৱিত কৰা আৰু
   ii. গ্ৰাহকে ল'ব নিবিচৰা লেনদেনৰ সিদ্ধান্ত ল'বলগীয়া হোৱাৰ কাৰক বিবেচিত হোৱা।
b. বলপূৰ্বক অথবা প্ৰভাৱী সিদ্ধান্ত নিৰ্ণয় কৰোঁতে নিম্নোলিখিতসমূহ বিবেচনা কৰা হয়-
   i. ব্যৱহাৰৰ সময়, অৱস্থান আৰু অটলতাৰ ওপৰত;
   ii. ভয় প্ৰদৰ্শন, অমাৰ্জিত ব্যৱহাৰ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত;
   iii. গ্ৰাহকৰ ভাগ্য সুপ্ৰসন্ন নোহোৱাৰ সময় যি সদস্যজনৰ জ্ঞাত আৰু সেই সময়ত গ্ৰাহকক বিত্তীয় সামগ্ৰী তথা বিত্তীয় সেৱা গ্ৰহণৰ বাবে প্ৰভাৱান্বিত কৰাৰ ক্ষেত্ৰত;
   iv. সদস্যৰ দ্বাৰা ধাৰ্য কৰা কোনো চুক্তিবিহীন বাধা য'ত গ্ৰাহকে বিত্তীয় চুক্তিৰ অধীনত অধিকাৰ প্ৰাপ্ত কৰিব বিচাৰে, তাত অন্তৰ্ভুক্ত থাকে-
   v. বিত্তীয় চুক্তি বাতিল কৰাৰ অধিকাৰ;
   vi. অন্য সদস্য বা অন্য বিত্তীয় সামগ্ৰীলৈ পৰিৱৰ্তন কৰাৰ অধিকাৰ আৰু
   vii. পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি কোনো ভয় প্ৰদৰ্শনৰ দ্বাৰা কৰা কাৰ্য।

**ইলেক্ট্ৰ'নিক কনট্ৰেক্ট নোটচ (ECN)**

42. যদি গ্ৰাহকে ইলেক্ট্ৰনিক পদ্ধতিৰে কনট্ৰেক্ট নোট পোৱাটো বাছি লয় (গ্ৰাহকৰ দ্বাৰা সৃষ্টি), তেওঁ সদস্যক সঠিক ই-মেইল আইডি প্ৰদান কৰিব। (অনুগ্ৰহ কৰি পৰিশিষ্ট 3-ৰ পৰিশিষ্ট A চাওক)। সদস্যই এই ক্ষেত্ৰত সময়ে সময়ে সকলো নিয়ম/ব্যৱসায়িক নিয়ম/উপ বিধি/চাৰ্কুলাৰ আদি প্ৰযোজ্য হোৱাটো নিশ্চিত কৰিব। গ্ৰাহকে তেওঁৰ ই-মেইল id সলনি হ'লে সদস্যক এখন ভৌতিক পত্ৰৰে জানিবলৈ দিব। গ্ৰাহকে ইন্টাৰনেট লেনদেন কৰিবলৈ বাছি লয়, তেন্তে ই-মেইল id সলনি কৰাৰ বাবে অনুৰোধ ক্লায়েন্ট স্পেচিফিক ইউজাৰ id আৰু পাছৱৰ্ডৰ সৈতে ছিকিয়ৰ্ড এক্সেছৰ জৰিয়তে কৰিব পৰা যায়।

43. সদস্যই এইটো নিশ্চিত কৰিব যে ই-মেইলৰ জৰিয়তে পঠিওৱা ECN হ'ব ডিজিটেল চহী কৰা, এনক্ৰিপ্টেড, গাফিলতি কৰিব নোৱাৰা আৰু IT এক্ট, 2000 ৰ দফাসমূহ মানি চলা। যদি ECN এটা প্ৰত্যয়িত হিচাপে ই-মেইলৰ জৰিয়তে পঠিওৱা হয়, গাঁঠি দিয়া ফাইলটো ডিজিটেল চহীৰ দ্বাৰা সুৰক্ষিত হ'ব আৰু ই এনক্ৰিপ্টেড তথা গাফিলতি কৰিব নোৱাৰা বিধৰ হ'ব।

44. গ্ৰাহকে এইটো লক্ষ্য কৰিব যে সদস্যই বাউন্স মেইল অধিসূচনা নোপোৱাৰ অৰ্থ হ'ব যে গ্ৰাহকৰ ই-মেইল আইডি একাউন্টত কনট্ৰেক্ট নোট ডেলিভাৰী হৈছে।

45. IT এক্ট, 2000-ৰ দফাসমূহ তথা SEBI/কম'ডিটি এক্সচেঞ্জে সময়ে সময়ে জাৰি কৰা এক্সটেন্ট নিয়ম/চাৰ্কুলাৰ/মাৰ্গদৰ্শিকা অনুসৰি যিবোৰ এক্সচেঞ্জে জাৰি কৰে সেই পদ্ধতিত সদস্যই ECN তথা ই-মেইলৰ প্ৰাপ্তিকৰণ এটা ছন্ট আৰু গাফিলতি কৰিব নোৱাৰা ফৰ্মত নিজৰ লগত ৰাখিব। ডেলিভাৰী প্ৰমাণ অৰ্থাৎ কনট্ৰেক্ট নোট পঠিওৱাৰ সময়ত ছিষ্টেমে পৰিচালন কৰা ল'গ ৰিপ'ৰ্ট

SEBI/কম'ডিটি এক্সচেঞ্জৰ নিয়ম/চাৰ্কুলাৰ/নিৰ্দেশনা অধীনত নিৰ্দিষ্ট সময়ৰ বাবে সদস্যই ৰাখিব। গ্ৰাহকক ডেলিভাৰী নকৰা/ ই-মেইল নাকচ বা বাউন্স বেক কৰা ক্ষেত্ৰত লগ প্ৰতিবেদনে কনট্ৰেক্ট নোটৰ সৱিশেষ প্ৰদান কৰিব। SEBI/কম'ডিটি এক্সচেঞ্জৰ নিয়ম/চাৰ্কুলাৰ/নিৰ্দেশনা অনুসৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সদস্যই সকলো সময়তে তেওঁ লোৱা বাউন্সড মেইলৰ অধিসূচনা নিশ্চিত কৰাৰ বাবে সকলো ধৰণৰ পদক্ষেপ ল'ব।

46. ইলেক্ট্ৰনিক পদ্ধতিৰে কনট্ৰেক্ট নোট পোৱাৰ বিকল্প বাছি নোলোৱা গ্ৰাহকক সদস্যই ভৌতিক পদ্ধতিৰে কনট্ৰেক্ট নোট পঠিয়াই থাকিব। যি ক্ষেত্ৰত গ্ৰাহকক ECN সমূহ ডেলিভাৰী দিয়া হোৱা নাই বা গ্ৰাহকৰ ই-মেইল আইডি-ত এইবোৰ নাকচ কৰিছে (মেইল বাউন্সিং), সদস্যই SEBI/কম'ডিটি এক্সচেঞ্জৰ নিয়ম/নিয়ামক, উপ বিধি, ব্যৱসায়িক নিয়ম আৰু চাৰ্কুলাৰ অনুসৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত গ্ৰাহকলৈ ভৌতিক কনট্ৰেক্ট পঠিয়াব আৰু এনে ভৌতিক কনট্ৰেক্ট নোটৰ ডেলিভাৰীৰ প্ৰমাণ নিজৰ হাতত ৰাখিব।

47. গ্ৰাহকলৈ ECN-ৰ যোগাযোগৰ ই-মেইলৰ উপৰিও সদস্যই একে সময়তে নিৰ্দিষ্ট ৱেবছাইটত, যদি আছে, ECN প্ৰকাশ কৰিব, এক সুৰক্ষিত প্ৰকাৰেৰে আৰু গ্ৰাহকক এইসমূহ পাবলৈ সুবিধা কৰি দিব। ইয়াৰ উদ্দেশ্যেৰে গ্ৰাহকক এটা অদ্বিতীয় ইউজাৰ নাম তথা পাছৱৰ্ড দিব, আৰু লগতে গ্ৰাহকক কনট্ৰেক্ট নোট ইলেক্ট্ৰনিকেলী সঞ্চয় কৰি থোৱাৰ বাবে আৰু/ বা ইয়াৰ এটা প্ৰিন্ট আউট ল'বলৈ এটা বিকল্পও দিব।

48. যিসকল গ্ৰাহকে ইলেক্ট্ৰ'নিক মাধ্যম বাচনি কৰে তেওঁলোকৰ পৰা ইলেক্ট্ৰ'নিক কনট্ৰেক্ট নোট (ECN) সন্মতি প্ৰাপ্ত কৰা হ'ব। গ্ৰাহকে ৰদ নকৰা পৰ্যন্ত এই সন্মতি বাহাল থাকিব।

**আইন আৰু এক্তিয়াৰ**

49. এই নথিপত্ৰত দিয়া নিৰ্দিষ্ট অধিকাৰসমূহৰ উপৰিও সদস্য, স্বীকৃতপ্ৰাপ্ত ব্যক্তি আৰু গ্ৰাহকে অন্য অধিকাৰসমূহো সাব্যস্ত কৰিব পাৰিব। এই অধিকাৰসমূহ হৈছে গ্ৰাহকে লেনদেন কৰিবলৈ বাছি লোৱা এক্সচেঞ্জৰ অন্তৰ্গত নিয়ম, উপবিধি তথা ব্যৱসায়িক নিয়মৰ অধীন আৰু ই জাৰি কৰা চাৰ্কুলাৰ/জাননী বা SEBI-ৰ নিয়ম।

50. এই নথিপত্ৰৰ চৰ্তসমূহ সদায়েই চৰকাৰী অধিসূচনা, SEBI-য়ে জাৰি কৰা যিকোনো নিয়ম, মাৰ্গদৰ্শিকা তথা চাৰ্কুলাৰ/জাননী আৰু সময়ে সময়ে কাৰ্যকৰী হোৱা লেনদেন কাৰ্যকৰী কৰা প্ৰাসংগিক কম'ডিটি এক্সচেঞ্জৰ নিয়ম, ব্যৱসায়িক নিয়ম আৰু উপবিধিৰ অধীন হ'ব।

51. 1996-ৰ আৰ্বিট্ৰেছন এণ্ড কনচিলিয়েছন এক্টৰ অধীনত মধ্যস্থতাকাৰীৰ দ্বাৰা দিয়া যিকোনো পুৰস্কাৰ সদস্য আৰু গ্ৰাহকে মানি ল'ব। যি কি নহওক, যদি কোনো পক্ষ মধ্যস্থতাকাৰীৰ পুৰস্কাৰৰ সৈতে সন্তুষ্ট নহয় তেন্তে কম'ডিটি এক্সচেঞ্জৰ ভিতৰতে আপীল কৰাৰ ব্যৱস্থা আছে।

52. এই নথিপত্ৰত ব্যৱহাৰ কৰা শব্দ আৰু বৰ্ণনাসমূহ কিন্তু যিবোৰ ইয়াত ব্যাখ্যা কৰা হোৱা নাই, যদিহে এই সন্দৰ্ভত অন্যথা আৱশ্যক হয়, একেই অৰ্থ হ'ব যেনেদৰে এক্সচেঞ্জ/ SEBI-ৰ অধীনত জাৰি কৰা নিয়ম, উপবিধি আৰু ব্যৱসায়িক নিয়ম তথা চাৰ্কুলাৰ/জাননীৰ অধীনত হয়।

53. সদস্যই যোগ কৰা সকলো অতিৰিক্ত ঐচ্ছিক দফা/নথিপত্ৰ/এক্সচেঞ্জ/ SEBI-ৰ নিয়ম/ব্যৱসায়িক নিয়ম/জাননী/চাৰ্কুলাৰৰ বিপৰীতে হোৱা উচিত নহয়। এনে যি কোনো ঐচ্ছিক দফা/নথিপত্ৰত

সলনিৰ বিষয়ে জনাবৰ বাবে এখন জাননী 15 দিনৰ পূৰ্বে দিয়াৰ প্ৰয়োজন। এক্সচেঞ্জ/ SEBI-য়ে নিৰ্ধাৰিত কৰা অধিকাৰ আৰু দায়িত্বৰ পৰিৱৰ্তনসমূহো গ্ৰাহকৰ দৃষ্টিগোচৰ কৰা উচিত।

54. SEBI-ৰ নিয়ম আৰু লেনদেন কাৰ্যকৰী কৰা প্ৰাসংগিক কম'ডিটি এক্সচেঞ্জৰ উপবিধি, নিয়ম তথা ব্যৱসায়িক নিয়মৰ পৰিৱৰ্তনৰ হেতুকে পক্ষসমূহৰ অধিকাৰ তথা দায়িত্বসমূহ পৰিৱৰ্তন হয়, সেই পৰিৱৰ্তনসমূহ ইয়াত সন্নিৱিষ্ট হোৱা বুলি ধৰি লোৱা হ'ব যিটো নথিপত্ৰত উল্লিখিত পক্ষসমূহৰ অধিকাৰ আৰু দায়িত্বসমূহৰ ৰূপান্তকৰণ বুলি গণ্য কৰা হ'ব।

55. সদস্যসকলে একাউন্ট বিবৃতি প্ৰতিমাহে গ্ৰাহককে প্ৰদান কৰা প্ৰয়োজন।

**সদস্যই গ্ৰাহকক প্ৰদান কৰা ইণ্টাৰনেট আৰু ৱায়াৰলেছ প্ৰযুক্তিভিত্তিক লেনদেন সুবিধা (*'অধিকাৰ আৰু দায়িত্ব'* নথিপত্ৰত উল্লিখিত সকলো দফা প্ৰযোজ্য হ'ব। অতিৰিক্তভাৱে ইয়াত উল্লেখ কৰা দফাসমূহো প্ৰযোজ্য হ'ব)**

1. ৱায়াৰলেছ প্ৰযুক্তিৰ জৰিয়তে সদস্যই ইণ্টাৰনেট নিৰ্ভৰ ট্ৰেডিং (IBT) তথা কম'ডিটি প্ৰদান কৰাৰ বাবে যোগ্য। এই প্ৰযুক্তিত অন্তৰ্ভুক্ত হয় এনে ব্যৱহাৰিক সঁজুলি যে ম'বাইল ফোন, ডেটা কাৰ্ডৰ সৈতে লেপটপ ইত্যাদি যিবোৰে ইণ্টাৰনেট প্ৰট'কল (IP) ব্যৱহাৰ কৰে। SEBI আৰু এক্সচেঞ্জে সময়ে সময়ে নিৰ্দিষ্ট কৰা অনুসৰি সদস্যই ইণ্টাৰনেটভিত্তিক লেনদেন/কম'ডিটিৰ বাবে সকলো প্ৰযোজ্য আৱশ্যকতা মানি চলিব।

2. কম'ডিটিত বিনিয়োগ/লেনদেন কৰাৰ বাবে গ্ৰাহক ইচ্ছুক আৰু এই উদ্দেশ্যৰে গ্ৰাহকে ইণ্টাৰনেটভিত্তিত লেনদেনৰ সুবিধা বা ৱায়াৰলেছ প্ৰযুক্তি ব্যৱহৃত কম'ডিটি লেনদেন কৰাৰ বাবে ইচ্ছুক। সদস্যই গ্ৰাহকক সদস্যৰ IBT সেৱা আগবঢ়াব আৰু গ্ৰাহকে সদস্যৰ IBT সেৱা গ্ৰহণ কৰিব। এই সুবিধা SEBI/এক্সচেঞ্জ ব্যৱস্থাৰ আৰু সদস্যৰ IBT ৱেবছাইটত নিৰ্দিষ্ট কৰা নিয়ম আৰু চৰ্তসমূহৰ অধীন হ'ব যদিহে সেইবোৰ এক্সচেঞ্জ/ SEBIয়ে জাৰি কৰা নিয়মৰ লগত সমান্তৰাল হয়।

3. ৱায়াৰলেছ প্ৰযুক্তি/ইণ্টাৰনেট/স্মাৰ্ট অৰ্ডাৰ ৰুটিঙৰ জৰিয়তে কৰা কম'ডিটি লেনদেনৰ সৈতে সংলগ্ন বৈশিষ্ট, ক্ষতিশংকা, দায়িত্ব, কৰ্তব্য আৰু দেয়তাৰ বিষয়ে সদস্যই গ্ৰাহকক অৱগত কৰিব বা যিকোনো অন্য প্ৰযুক্তিৰ বিষয়েও সদস্যই গ্ৰাহকক জনোৱা উচিত।

4. সদস্যই গ্ৰাহকক এই বিষয়েও অৱগত কৰিব যে সদস্যৰ IBT ব্যৱস্থাটোৱেই এক্সচেঞ্জ/ SEBIৰ দ্বাৰা জাৰি কৰা নিয়মৰ সৈতে সামঞ্জস্য ৰাখি প্ৰাৰম্ভিক পাছৱৰ্ড আৰু ইয়াৰ পাছৱৰ্ড নীতি পৰিচালনা কৰিব।

5. ইউজাৰ নাম তথা পাছৱৰ্ড গোপনীয় আৰু সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব গ্ৰাহকৰ হ'ব। সদস্যৰ IBT ব্যৱস্থাৰ জৰিয়তে গ্ৰাহকৰ ইউজাৰ নাম আৰু/বা পাছৱৰ্ড ব্যৱহাৰ কৰি যিকোনো ব্যক্তিয়েই কৰা অৰ্ডাৰ আৰু লেনদেনৰ বাবে গ্ৰাহকে নিজেই দায়ী হ'ব যদিও সেই ব্যক্তিক এনে কৰাৰ বাবে প্ৰাধিকৃত কৰা হওক বা নহওক। গ্ৰাহকে এই কথা জানিব যে অৰ্ডাৰ ৰুটেড পদ্ধতিৰ জৰিয়তে ৱায়াৰলেছ প্ৰযুক্তিৰ দ্বাৰা ইণ্টাৰনেট লেনদেন/কম'ডিটি লেনদেনৰ বাবে প্ৰমাণীকৃত প্ৰযুক্তি আৰু কঠোৰ সুৰক্ষাৰ উপায় আৱশ্যক আৰু গ্ৰাহকে সদস্য তথা ডীলাৰতে অন্তৰ্ভুক্ত কৰি যিকোনো তৃতীয় পক্ষক গ্ৰাহক আৰু/বা তেওঁৰ প্ৰাধিকৃত পাছৱৰ্ড ফাদিল নকৰে বুলি নিশ্চিত কৰাৰ দায়িত্ব লয়।

6. গ্ৰাহকে সদস্যক লিখিতভাৱে ততালিকে জনাব যদি তেওঁ পাছৱৰ্ড পাহৰে, সদস্য IBT পদ্ধতিত সুৰক্ষাৰ গাফিলতি ধৰা পেলায়, তেওঁৰ ইউজাৰ নাম/পাছৱৰ্ড/একাউণ্টৰ জৰিয়তে অনাধিকৃত এক্সেছ ধৰা পেলায়/হেৰ-ফেৰ হোৱা বুলি সন্দেহ কৰে। এনে অনাধিকৃত ব্যৱহাৰৰ কথা হোৱাৰ পিছতেই এই ধৰণৰ অনাধিকৃত ব্যৱহাৰ, ইয়াৰ তাৰিখ, ইয়াৰ প্ৰকৃতি তথা প্ৰভাৱিত হোৱা লেনদেন ইত্যাদি বিশদভাৱে জনাব।

7. ৱায়াৰলেছ প্ৰযুক্তিৰ জৰিয়তে ইণ্টাৰনেট/কম'ডিটি লেনদেনত ৰুটিং অৰ্ডাৰৰ বাবে সেৱা গ্ৰহণ কৰাৰ সৈতে সংলগ্ন ক্ষতিশংকাসমূহৰ বিষয়ে গ্ৰাহকে সম্পূৰ্ণভাৱে জানে আৰু বুজি পায় আৰু যিকোনো ভাৱে

গ্ৰাহকৰ ইউজাৰ নাম তথা পাছৱৰ্ডৰ জৰিয়তে কৰা সকলো কাৰ্যৰ বাবে গ্ৰাহক সম্পূৰ্ণভাৱে জগৰীয়া আৰু দায়ী হ'ব

৪. গ্ৰাহকৰ অনুৰোধত সদস্যই ই-মেইলৰ জৰিয়তে অৰ্ডাৰ/লেনদেন দৃঢ় প্ৰতিপন্ন কৰিব। গ্ৰাহকে এই কথা জানে যে অৰ্ডাৰ/লেনদেনৰ দৃঢ় প্ৰতিপন্নতা ৱেব প'ৰ্টেলতো পাব পাৰি। গ্ৰাহকে ৱায়াৰলেছ প্ৰযুক্তি ব্যৱহাৰ কৰি লেনদেন কৰাৰ ক্ষেত্ৰত সদস্যৰ অৰ্ডাৰ/লেনদেনৰ দৃঢ় প্ৰতিপন্নতা গ্ৰাহকৰ যতনত পঠিয়াব।

9. গ্ৰাহকৰ এইটো জ্ঞাত যে ইন্টাৰনেটত লেনদেন কৰিলে বহুতো অনিশ্চিত কাৰক উদ্ভৱ হ'ব পাৰে আৰু জটিল হাৰ্ডৱেৰ, ছফটৱেৰ, কমিউনিকেছন লাইন, পেৰিফেৰেল ইত্যাদিত প্ৰতিবন্ধকতা আহিব পাৰে তথা ব্যাহত হ'ব পাৰে। সদস্য আৰু এক্সচেঞ্জে এনে কোনো প্ৰতিনিধিত্ব নকৰে অথবা ৱাৰেণ্টি নিদিয়ে যে সদস্যৰ IBT সেৱা কোনো ব্যাহত নোহোৱাকৈ গ্ৰাহকৰ বাবে উপলব্ধ হ'ব।

10. সদস্য/এক্সচেঞ্জ নিয়ন্ত্ৰণৰ বাহিৰৰ কোনো কাৰণত গ্ৰাহক/সদস্য/এক্সচেঞ্জৰ ক্ষেত্ৰত কোনো ধৰণৰ লিংক/প্ৰক্ৰিয়া বিকল হ'লে যিকোনো স্থগিতকৰণ, ব্যাঘাত, ষ্টক ব্ৰ'কাৰ্চ IBT ব্যৱস্থা বা সেৱা, এক্সচেঞ্জৰ সেৱা বা পদ্ধতি অনা-উপলব্ধতা বা অচল হোৱা বা গ্ৰাহকৰ অৰ্ডাৰ কাৰ্যকৰী নোহোৱাৰ বাবে গ্ৰাহকে এক্সচেঞ্জ বা সদস্যৰ বিৰুদ্ধে কোনো দাবী উত্থাপন কৰিব নোৱাৰিব।

**অনুবন্ধ - 2**
**ক্ষতিশংকা প্ৰকটকৰণ তথ্য**

এক্সচেঞ্জসমূহে একক বা যুঁটীয়াভাৱে তথা সম্পূৰ্ণভাৱে বা ইংগিতেৰে কোনো গ্যাৰান্টি নিদিয়ে, এই তথ্যতথ্যসমূহৰ সম্পূৰ্ণতাৰ ক্ষেত্ৰত কোনো প্ৰতিনিধিত্ব, পৰ্যাপ্ততা বা যথাৰ্থতা নিদিয়ে, এক্সচেঞ্জে কম'ডিটি ডিৰাইভেটিভ (Commodity Derivatives) বজাৰ/ট্ৰেডিঙত অংশগ্ৰহণ কৰাৰ কোনো যোগ্যতা অনুমোদন বা মঞ্জুৰ নকৰে। এই সংক্ষিপ্তই তথ্যই ট্ৰেডিঙৰ সকলো ক্ষতিশংকা তথা অন্য গুৰুত্বপূৰ্ণ দিশসমূহ ফাদিল নকৰে। ইয়াত অন্তৰ্ভুক্ত হোৱাৰ পূৰ্বে আপুনি নিৰ্ণায়ক ট্ৰেডিঙৰ বিষয়ে ভালদৰে অৱগত হৈ ল'ব।

জড়িত ক্ষতিশংকালৈ লক্ষ্য ৰাখি আপুনি কেৱল তেতিয়াহে লেনদেন কৰা উচিত যেতিয়া আপুনি সেই চুক্তিভিত্তিক সম্পৰ্কীয় স্বৰূপ আৰু ক্ষতিশংকাৰ বিস্তাৰ বুজি পায় য'ত আপুনি প্ৰৱেশ কৰিছে।

আপুনি জনা উচিত আৰু প্ৰশংসা কৰা উচিত যে কম'ডিটি ভিত্তিক চুক্তি/নিৰ্ণায়ক বা কম'ডিটি এক্সচেঞ্জ (Commodity Exchanges) ত ট্ৰেড কৰা আৰু অন্য মাধ্যম (ইনষ্ট্ৰুমেন্ট)ত ট্ৰেডিং, য'ত ক্ষতিশংকাৰ বিভিন্ন মাত্ৰা অন্তৰ্ভুক্ত, সাধাৰণতে সীমিত উৎসমূহ/সীমিত বিনিয়োগ আৰু/ বা ট্ৰেডিং অভিজ্ঞতা আৰু কম ক্ষতিশংকা সহিষ্ণুতাযুক্ত কোনো ব্যক্তিৰ বাবে এক উপযুক্ত স্থান নহয়। সেইবাবে আপুনি আপোনাৰ আৰ্থিক অৱস্থালৈ লক্ষ্য ৰাখি অনুকূলভাৱে বিবেচনা কৰা উচিত যে এনে ট্ৰেডিং আপোনাৰ বাবে উপযুক্ত হয় নে নহয়। যদি আপুনি এক্সচেঞ্জত ট্ৰেড কৰে আৰু প্ৰতিকূল পৰিণাম বা লোকচানত ভোগে, তেন্তে আপুনি তাৰ বাবে সম্পূৰ্ণভাৱে দায়ী হব আৰু এক্সচেঞ্জে যিকোনো প্ৰকাৰেৰে ইয়াৰ বাবে দায়ী নহব আৰু আপোনাৰ ওচৰত এই দলিল দিয়াৰ বিকল্প নহব যে আপুনি জড়িত ক্ষতিশংকাৰ ক্ষেত্ৰত পৰ্যাপ্ত জাননী দিয়া নাছিল বা এইটো যে আপোনাক সংশ্লিষ্ট সদস্যৰ দ্বাৰা জড়িত সম্পূৰ্ণ ক্ষতিশংকাৰ বিষয়ে অৱগত কৰা নাছিল। এই ক্ষেত্ৰত গ্ৰাহক সম্পূৰ্ণৰূপে নিজে দায়ী হ'ব আৰু সেই একাউন্টত কোনো চুক্তি সম্পাদিত নহ'ব।

গ্ৰাহক (client / investor) পৰিণামৰ বাবে অকলশৰে দায়বদ্ধ হ'ব আৰু সেই আধাৰত যিকোনো কম'ডিটি ডিৰাভেটিভ কনট্ৰেক্টৰ ক্ৰয় আৰু/বা বিক্ৰীৰ আদেশ সম্পাদন কৰাৰ সময়ত লাভসমূহৰ কোনো গ্যাৰেণ্টী নাথাকিব পাৰে আৰু/ বা ক্ষতিসমূহৰ কোনো অপবাদ নহ'ব পাৰে।

আপুনি এইটো স্পষ্টভাৱে বুজা উচিত যে এজন সদস্য (Members / Stock Brokers)ৰ জৰিয়তে এক্সচেঞ্জসমূহত আপোনাৰ ডীলিং (লেনদেন), সদস্যৰ দ্বাৰা নিৰ্ধাৰিত কিছুমান আনুষ্ঠানিকতা সম্পূৰ্ণ কৰাৰ অধীন হব যত *অন্য সামগ্ৰীৰ* লগে লগে গ্ৰাহকে জনা ফৰ্ম পূৰোৱা, অধিকাৰ আৰু দায়িত্বসমূহ পঢ়া, কৰণীয় আৰু অকৰণীয় আদি অন্তৰ্ভুক্ত হব পাৰে আৰু প্ৰাসংগিক এক্সচেঞ্জসমূহ বা SEBI-ৰ দ্বাৰা সময়ে সময়ে জাৰি কৰা নিয়ম/উপ বিধি আৰু ব্যৱসায়িক নিয়মৰ অধীন।

এক্সচেঞ্জে যিকোনো পৰামৰ্শ প্ৰদান কৰে বা পৰামৰ্শ দিয়াৰ ইচ্ছা নকৰে আৰু যিকোনো এনে ব্যক্তিৰ বাবে জবাবদিহি নহ'ব যি এক্সচেঞ্জসমূহৰ সদস্য আৰু/ বা এই তথ্যত অন্তৰ্ভুক্ত যিকোনো জাননীৰ ভিত্তিত যি কোনো তৃতীয় পক্ষৰ সৈতে যিকোনো ব্যৱসায়িক সম্পৰ্কত প্ৰৱেশ কৰে। এই তথ্যত অন্তৰ্ভুক্ত কোনো জাননী ব্যৱসায়িক পৰামৰ্শ/বিনিময় পৰামৰ্শ হিচাপে মানি লোৱা উচিত নহয়। ট্ৰেড কৰাৰ বাবে যিকোনো বিবেচনা এই ধৰণৰ ট্ৰেডিঙত জড়িত

ক্ষতিশংকা বুজি পাওক আৰু সমীক্ষা নকৰাকৈ কৰা উচিত নহয়। যদি আপুনি নিশ্চিত নহয়, তেন্তে আপুনি সেই বিষয়ে পেছাদাৰীৰ পৰামৰ্শ লোৱা উচিত।
এই বিবেচনা কৰাৰ বাবে যে ট্ৰেড কৰা হয় আপোনাৰ নিম্নলিখিতৰ বিষয়ে জাননী থকা উচিত বা ইয়াৰ সৈতে পৰিচিত হোৱা উচিত:-

1. **কম'ডিটি ফিউচাৰ চুক্তিৰ ট্ৰেডৰ মৌলিক ক্ষতিশংকা আৰু এক্সচেঞ্জত কম'ডিটি ডিৰাইভেটিভ সঁজুলি।**

   i. **উচ্চ অস্থিৰতাৰ ক্ষতিশংকা**

   অস্থিৰতাৰ তাৎপৰ্য সেই মূল্যত গতিশীল পৰিৱৰ্তনৰ পৰা হয় য'ত কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্ট কৰা হয় যেতিয়া ট্ৰেডিং গতিবিধিসমূহ কম'ডিটি এক্সচেঞ্জত সমূহত জাৰি থাকে। সাধাৰণতে, এক কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টৰ অস্থিৰতা যিমানে উচ্চ হয় তাৰ মূল্যত পৰিৱৰ্তনো সিমানেই অধিক হয়। সক্ৰিয় ডিৰাইভেটিভ কনট্ৰেক্টৰ তুলনাত কম ট্ৰেড কৰা কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টত সাধাৰণতে অস্থিৰতা হ'ব পাৰে। অস্থিৰতাৰ পৰিণাম স্বৰূপে, আপোনাৰ আদেশ সম্পাদন কৰা হয়, অন্তিম ট্ৰেডেড মূল্যতকৈ অলপ বেলেগ হ'ব পাৰে বা অনৰ্গলভাৱে সলনি হ'ব পাৰে যাৰ পৰিণামস্বৰূপে কল্পনাপূৰ্ণ বা প্ৰকৃত লোকচান হ'ব পাৰে।

   ii. **নিম্নতম তৰলতাৰ ক্ষতিশংকা**

   a. তৰলতা এক প্ৰতিযোগিতামূলক আৰু ন্যূনতম মূল্যৰ পাৰ্থক্যৰ সৈতে দ্ৰুতগতিত কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টৰ ক্ৰয় আৰু/বা বিক্ৰীৰ বাবে বজাৰ অংশগ্ৰহণকাৰীৰ ক্ষমতা দৰ্শায়। সাধাৰণতে, এইটো গ্ৰহণ কৰা হয় যে এক বজাৰত উপলব্ধ আদেশৰ সংখ্যা যিমানেই অধিক হয়, তৰলতা সিমানেই অধিক হয়। তৰলতা গুৰুত্বপূৰ্ণ হয় কিয়নো অধিক তৰলতাৰ সৈতে বিনিয়োগকাৰীসকলৰ বাবে দ্ৰুতভাৱে আৰু ন্যূনতম মূল্যত পাৰ্থক্যৰ সৈতে কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্ট ক্ৰয় কৰা আৰু/বা বিক্ৰী কৰা সহজ হৈ পৰে আৰু ফলস্বৰূপে বিনিয়োগকাৰীসকলৰ দ্বাৰা ক্ৰয় বা বিক্ৰয় কৰা কম'ডিটি ডিৰাইভেটিভৰ বাবে এক প্ৰতিযোগিতামূলক মূল্যৰ আদায় কৰা বা প্ৰাপ্তি হোৱাৰ সম্ভাৱনা থাকে। সক্ৰিয় কম'ডিটি/ডিৰাইভেটিভ কনট্ৰেক্টৰ তুলনাত কিছুমান কম'ডিটিত কম তৰলতাৰ ক্ষতিশংকা থাকিব পাৰে। পৰিণামস্বৰূপে আপোনাৰ আদেশ কেৱল আংশিকভাৱে সম্পাদন কৰিব পৰা যায় বা তুলনামূলকভাৱে অধিক মূল্যৰ পাৰ্থক্যত সম্পাদিত কৰিব পৰা যায় অথবা সম্পূৰ্ণৰূপে সম্পাদন কৰিব পৰা নাযায়।
   b. ডে'-ট্ৰেডিং কৌশলৰ এটা অংশ হিচাপে কম'ডিটি ক্ৰয় অথবা বিক্ৰয়ৰ ফলস্বৰূপেও লোকচান হ'ব পাৰে, এনে ক্ষেত্ৰত ডিৰাইভেটিভ কনট্ৰেক্ট প্ৰত্যাশিত মূল্য পৰ্যায়ৰ তুলনাত কম/অধিক মূল্যত ক্ৰয়/বিক্ৰয় কৰিব পৰা যায়, সেইবাবে এক কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্ট ডেলিভাৰ কৰা বা প্ৰাপ্তিৰ বাবে যিকোনো খোলা স্থিতি বা দায়িত্ব নাৰাখে।

iii. **বিস্তৃত স্প্রেডৰ ক্ষতিশংকা**

a. স্প্ৰেড সৰ্বোত্তম ক্ৰয় মূল্য আৰু সৰ্বোত্তম বিক্ৰয় মূল্যৰ ভিতৰত পাৰ্থক্য দৰ্শায়। ই এক কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্ট ক্ৰয় কৰা আৰু ইয়াৰ তৎক্ষণাৎ পিছত বিক্ৰয় কৰা বা বিপৰীতভাৱে মূল্যৰ ভিতৰত পাৰ্থক্য প্ৰদৰ্শিত কৰে। নিম্নতম তৰলতা আৰু উচ্চ অস্থিৰতাৰ পৰিণামস্বৰূপে কম তৰল বা অন্য তৰল কম'ডিটিসমূহ/কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টৰ বাবে সাধাৰণৰ পৰা অধিক স্প্ৰেড হ'ব পাৰে। এই সলনিত উন্নত মূল্যৰ স্থাপনত বাধাৰ সৃষ্টি কৰিব।

iv. **ক্ষতিশংকা হ্ৰাস কৰাৰ আদেশ**

a. বহুতো এক্সচেঞ্জৰ বিনিয়োগকাৰীৰ বাবে ''লিমিট অৰ্ডাৰ'', ''ষ্টপ লচ অৰ্ডাৰ'' ইত্যাদি প্লেচ কৰাৰ সুবিধা থাকে সেই আদেশসমূহ (যেনে ''ষ্টপ লছ'' আদেশ বা ''লিমিট'' আদেশ) ৰখা যি ক্ষতিসমূহৰ অলপ পৰিমাণলৈকে সীমাত কৰাৰ ইচ্ছা ৰাখে, কেতিয়াবা ফলদায়ক নহ'ব পাৰে কিয়নো বজাৰৰ স্থিতিসমূহত দ্ৰুতভাৱে বঢ়া-টুটা হোৱাৰ বাবে এনে আদেশসমূহ সম্পাদন কৰাৰ সম্ভৱ নহ'ব পাৰে।
b. এক ''বজাৰ'' আদেশৰ মূল্যৰ ওপৰত লক্ষ্য নকৰাকৈ বিপৰীত ফালৰ পৰা আদেশসমূহৰ উপলব্ধতাৰ অধীন ততালিকে সম্পাদন কৰা হ'ব আৰু এইটো যে যেতিয়া গ্ৰাহকক এক ''বজাৰ'' আদেশৰ তৎপৰ সম্পাদন প্ৰাপ্তি হ'ব পাৰে, সম্পাদন বকেয়া আদেশৰ উপলব্ধ মূল্যত হ'ব পাৰে যি মূল্য সময় প্ৰাথমিকতাৰ ওপৰত আদেশ পৰ্যায়ক সন্তুষ্ট কৰে। এইটো বুজিব পৰা যায় যে মূল্যসমূহ সেই কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টত অন্তিম ট্ৰেড কৰা মূল্য বা সৰ্বোত্তম মূল্যতকৈ বহু ভিন্ন হ'ব পাৰে।
c. এক ''লিমিট'' আদেশ কেৱল আদেশৰ বাবে নিৰ্দিষ্ট ''লিমিট'' মূল্য বা এক উন্নত মূল্যত সম্পাদিত কৰা হ'ব। যি কি নহওক, গ্ৰাহকক মূল্য সুৰক্ষা প্ৰাপ্তি হয় তথাপি এইটো সম্ভাৱনা থাকে যে আদেশ সম্পূৰ্ণভাৱে সম্পাদন কৰিব পৰা নাযায়।
d. এক ষ্টপ লছ আদেশ সাধাৰণতে এক কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টৰ বৰ্তমান মূল্যতকৈ ''বেলেগ'' কৈ স্থাপিত কৰা হয় আৰু এনে আদেশ কেৱল তেতিয়াহে সক্ৰিয় হয় যেতিয়া কনট্ৰেক্ট ষ্টপ মূল্য পায়গৈ বা তাৰ জৰিয়তে ট্ৰেড কৰে। বিক্ৰয় ষ্টপ আদেশ সাধাৰণতে বৰ্তমান মূল্যতকৈ তলত প্ৰবিষ্ট কৰা হয়। যেতিয়া কনট্ৰেক্ট পূৰ্ব-নিৰ্ধাৰিত মূল্য পায়গৈ অথবা এনে ধৰণৰ মূল্য হৈ ট্ৰেড কৰে তেন্তে ষ্টপ লছ আদেশ এখন বজাৰ/লিমিট আদেশলৈ সলনি হয় আৰু লিমিটত বা উন্নত পৰিস্থিতিত সম্পাদিত কৰা হয়। এই কথাৰ কোনো আশ্বাস নাই যে লিমিট আদেশ সম্পাদনযোগ্য হ'ব, যিহেতু এক কনট্ৰেক্ট পূৰ্ব নিৰ্ধাৰিত মূল্যত কাৰ্য কৰিব পাৰে, এনে স্থিতিত এনে আদেশৰ সম্পাদন নোহোৱাৰ ক্ষতিশংকা কেৱল এক নিয়মিত লিমিট আদেশ হিচাপে উৎপন্ন হয়।

v. **বাতৰি ঘোষণাৰ ক্ষতিশংকা**

a. সেইবোৰ ট্ৰেডাৰ্চ/নিৰ্মাতাৰ বাতৰি ঘোষণা যি ট্ৰেডিঙৰ সময়ত কম'ডিটি আৰু/অথবা কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টৰ মূল্য প্ৰভাৱিত কৰিব পাৰে আৰু কম তৰলতা তথা উচ্চ অস্থিৰতাৰ সৈতে সংযোজন কৰাৰ ফলত হঠাতে কম'ডিটি/কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টৰ মূল্যত এক অপ্ৰত্যাশিত যোগাত্মক বা ঋণাত্মক অৱস্থাৰ কাৰণ হ'ব পাৰে।

vi. **উৰা-বাতৰিৰ ক্ষতিশংকা**

a. কেতিয়াবা কম'টিডি মূল্যৰ বিষয়ে শব্দ, বাতৰি-কাকত, ৱেবছাইট বা বাতৰি এজেন্সি আদিৰ জৰিয়তে বজাৰত উৰা-বাতৰি বিয়পিবলৈ ধৰে। বিনিয়োগকাৰীয়ে ইয়াৰ পৰা সাৱধান হোৱা উচিত আৰু উৰা-বাতৰিৰ ভিত্তিত কাৰ্য কৰাৰ পৰা ৰক্ষা পোৱা উচিত।

vii. **পদ্ধতিগত ক্ষতিশংকা**

a. উচ্চ মাত্ৰা ট্ৰেডিং সঘনে বজাৰ খোলাৰ সময়ত আৰু বজাৰ বন্ধ হোৱাৰ আগেয়ে ঘটিব। এই ধৰণৰ উচ্চ মাত্ৰা দিনত যিকোনো সময়তো হ'ব পাৰে। ইয়াৰ ফলস্বৰূপে আদেশ সম্পাদন বা প্ৰতিপন্নতা কৰাত বিলম্ব হ'ব পাৰে।
b. অস্থিপতা ম্যাদৰ সময় একেৰাহে আপোনাৰ আদেশৰ মাত্ৰা বা মূল্য সংশোধিত কৰা বা নতুন আদেশ স্থাপিত কৰা বজাৰ অংশগ্ৰহণকাৰী হোৱাৰ বাবে আদেশ সম্পাদন আৰু ইয়াৰ প্ৰতিপন্নতাত বিলম্ব হ'ব পাৰে।
c. কিছুমান নিশ্চিত বজাৰ পৰিস্থিতিত এক উচিত মূল্যত বা সমগ্ৰভাৱে বজাৰত এক স্থিতিৰ সমাপ্তি ঘটোৱা তেতিয়া কঠিন অথবা অসমম্ভৱ হৈ পৰে যেতিয়া ক্ৰয় পক্ষ বা বিক্ৰয় পক্ষৰ যিকোনো আদেশ বকেয়া নহয়, বা যদি অসাধাৰণ ট্ৰেডিং গতি-বিধি বা মূল্যৰ চাৰ্কিট ফিল্টাৰ পাৰ কৰাৰ ফলত বা কোনো অন্য কাৰণৰ বাবে কম'ডিটি ট্ৰেডিং বন্ধ কৰি দিয়া হয়।

viii. **পদ্ধতি/নেটৱৰ্ক কঞ্জেছন**

a. আদেশসমূহ স্থাপিত কৰা আৰু পথত নিয়াৰ বাবে ছেটেলাইট/লীজড লাইন আধাৰিত সঞ্চাৰ, টেকনিক আৰু কম্পিউটাৰ পদ্ধতিৰ সংযোজনৰ ওপৰত আধাৰিত ইলেক্ট্ৰনিক প্ৰকাৰত এক্সচেঞ্জসমূহৰ ওপৰত ট্ৰেডিং হয়। এই ধৰণে তাত সঞ্চাৰ বিফলতা বা পদ্ধতিগত সমস্যাসমূহ বা পদ্ধতিৰ সৈতে মন্থৰ বা বিলম্বিতা প্ৰতিক্ৰিয়া বা ট্ৰেডিং বন্ধ কৰা বা এনে কোনো অন্য সমস্যা/বেমেজালি উদ্ভৱ হ'ব পাৰে, য'ত ট্ৰেডিং পদ্ধতি/নেটৱৰ্কৰ বাবে স্থাপিত কৰা সম্ভৱ নাছিল, যি নিয়ন্ত্ৰণৰ বাহিৰত হ'ব পাৰে আৰু যাৰ ফলস্বৰূপে আংশিক সম্পূৰ্ণৰূপে ক্ৰয় বা বিক্ৰয় আদেশসমূহ সম্পাদন কৰা বা নকৰাত বিলম্ব হ'ব পাৰে। আপোনাক ইয়াৰ প্ৰতি মনোযোগ দিবলৈ সতৰ্ক কৰা হয় যে যদি সমস্যাসমূহ সম্ভৱতঃ অস্থায়ী হ'ব পাৰে কিন্তু যেতিয়া আপোনাৰ ওচৰত খোলা স্থিতি বা অনা-সম্পাদন আদেশ শেষ হয় তেন্তে এই সকলো সম্পাদিত লেনদেনৰ মীমাংসা কৰাৰ বাবে আপোনাৰ দায়িত্বৰ বাবে ক্ষতিশংকা বহন কৰে।

**2. যেতিয়ালৈকে ফিউচাৰ কম'ডিটি ডিৰাইভেটিভ জড়িত, অনুগ্ৰহ কৰি নিম্নলিখিত অতিৰিক্ত সুবিধাসমূহৰ ওপৰত মনোযোগ দিয়ক আৰু ইয়াৰ সৈতে নিজকে পৰিচিত কৰাওক:-**

**''লীভাৰেজ'' বা ''গীয়েৰিং''ৰ প্ৰভাৱ:**

a. মাৰ্জিনৰ পৰিমাণ কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টৰ পৰিমাণৰ এটা সৰু অনুপাত থাকে, যিটো লেনদেন ' লীভাৰেজড' বা ' গীয়েৰ্ড' হয়। কম'ডিটি ডিৰাইভেটিভ ট্ৰেডিং যাক মাৰ্জিনৰ এটা তুলনামূলকভাৱে সৰু পৰিমাণৰ সৈতে কৰা হয়, মাৰ্জিনৰ পৰিমাণৰ তুলনাত অধিক লাভ বা হানিৰ সম্ভাৱনা প্ৰদান কৰে। কিন্তু কম'ডিটি ডিৰাইভেটিভত লেনদেনত উ্চ্চ স্তৰৰ ক্ষতিশংকা অন্তৰ্ভুক্ত হয়। সেইবাবে আপুনি প্ৰকৃততে কম'ডিটি ডিৰাইভেটিভত ট্ৰেডিং কৰাৰ আগেয়ে নিম্ন বিৱৰণ সম্পূৰ্ণৰূপে বুজা উচিত আৰু লগতে ব্যক্তিৰ পৰিস্থিতি, বিত্তীয় উৎসসমূহ আদিত লক্ষ্য ৰাখি সাৱধানেৰে ট্ৰেড কৰা উচিত।

b. ফিউচাৰ্চ ট্ৰেডিঙত সকলো কম'ডিটি ডিৰাইভেটিভৰ দৈনিক বন্দৱস্তি জড়িত হ'ব পাৰে। প্ৰত্যেক দিনে খোলা স্থিতিসমূহৰ সমাপ্তি পৰ্যায়ৰ আধাৰত বজাৰৰ বাবে চিহ্নিত কৰা হয়। যদি ক্ল'জিং প্ৰাইচ আপোনাৰ বিপক্ষে যায় তেন্তে আপোনাৰ বাবে এই ধৰণৰ বঢ়া-টুটাৰ ফলস্বৰূপে হ'বলগীয়া লোকচানৰ (আনুমানিক) পৰিমাণ জমা কৰা আৱশ্যক হ'ব। এই পৰিমাণৰ আদায় নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত কৰিব লাগিব, সাধাৰণতে পৰৱৰ্তী দিনত ট্ৰেডিং আৰম্ভ হোৱাৰ ঠিক আগেয়।

c. যদি আপুনি সময়সীমাৰ ভিতৰত অতিৰিক্ত মাৰ্জিন জমা কৰাত বিফল হয় অথবা যদি আপোনাৰ একাউন্টত বকেয়া ঋণ থাকে তেন্তে এক্সচেঞ্জৰ সদস্যই সম্পূৰ্ণ স্থিতিৰ সমাপ্তি কৰিব পাৰে। এই ক্ষেত্ৰত, আপুনি এই ধৰণৰ সমাপ্তিৰ ফলস্বৰূপে হ'বলগীয়া যি কোনো লোকচানৰ বা দায়ৱদ্ধ হ'ব।

d. নিশ্চিত বজাৰ পৰিস্থিতিসমূহৰ অধীনত এজন বিনিয়োগকাৰীৰ বাবে এনে লেনদেন সম্পাদন কৰা কঠিন বা অসম্ভৱ হ'ব পাৰে। উদাহৰণৰ বাবে, এই স্থিতি অনা-তৰলতাৰ দৰে কাৰকসমূহৰ কাৰণ হ'ব পাৰে অৰ্থাৎ যেতিয়া তাত অপৰ্যাপ্ত আক্ৰমণ বা প্ৰস্তাৱ থাকে বা মূল্য সীমা বা চাৰ্কিট ব্ৰেকাৰ আদিৰ কাৰণে ট্ৰেডিঙৰ স্থগিতকৰণ কৰা হ'ব পাৰে।

e. বজাৰত স্থিৰতা বাহাল ৰখাৰ বাবে নিম্নলিখিত পদক্ষেপ ল'ব পৰা যায়, মাৰ্জিন দৰত পৰিৱৰ্তন, নগদ মাৰ্জিন দৰ আদি বজাৰ স্থিৰতা ধৰি ৰখাৰ বাবে হোৱা পৰিৱৰ্তন। এইবোৰ নতুন মানদণ্ড বিদ্যমান অস্থিৰ সুত পৰিমাণত প্ৰযোজ্য কৰিব পাৰে। এনে স্থিতিত আপুনি অতিৰিক্ত মাৰ্জিন দিয়া বা আপোনাৰ স্থিতি হ্ৰাস কৰাৰ আৱশ্যকতা হ'ব।

f. আপুনি ব্ৰ'কাৰৰ পৰা সেই কম'ডিটি ডিৰাইভেটিভ কনট্ৰেক্টৰ সম্পূৰ্ণ জাননী অৰ্থাৎ অনুবন্ধ নিৰ্দিষ্ট আৰু তাৰ সৈতে জড়িত দায়িত্বসমূহৰ বিষয়ে সম্পূৰ্ণ জাননী উপলব্ধ কৰাৰ দাবী কৰা উচিত যাৰ ওপৰত আপুনি ট্ৰেড কৰাৰ যোজনা তৈয়াৰ কৰিছে।

**3. ৱায়াৰলেছ প্ৰযুক্তি/বা কোনো অন্য প্ৰযুক্তিৰ জৰিয়তে ট্ৰেডিং:**

ৱায়াৰলেছ প্ৰযুক্তি অথবা যি কোনো অন্য প্ৰযুক্তিৰ জৰিয়তে কম'ডিটিসমূহৰ ট্ৰেডিঙৰ সৈতে জড়িত সুবিধাসমূহ, ক্ষতিশংকা, দায়িত্ব আৰু বাধ্যবাধকতা ব্যাখ্যা কৰিবৰ বাবে যিকোনো অতিৰিক্ত উপবন্ধসমূহ সদস্যৰ দ্বাৰা গ্ৰাহকৰ দৃষ্টিলৈ অনা উচিত।

**4. সাধাৰণ**

i. **জমা কৰা নগদ আৰু সম্পত্তি:**
আপুনি ধন জমা কৰা কোনো ফাৰ্ম দেউলীয়া অথবা অস্তিত্বহীন হোৱাৰ পূৰ্বে আপুনি নিজে ধন আৰু অন্য সম্পত্তিৰ সুৰক্ষা সম্পৰ্কে জ্ঞাত হোৱা উচিত। আপোনাৰ ধন বা সম্পত্তি কোনো আইন বা স্থানীয় নিয়মৰ অধীনত আপুনি পুনৰ প্ৰাপ্ত কৰিব পৰা পৰ্যন্ত। কিছুমান ন্যায় ব্যৱস্থাত আপোনাৰ দ্বাৰা ধাৰ্য সম্পত্তি হ্ৰাসৰ ক্ষেত্ৰত নগদ হিচাপেও বিতৰণ হ'ব পাৰে। এক্সচেঞ্জৰ সদস্যৰ সৈতে হোৱা বিতৰ্কত, এই একেখিনিয়েই এক্সচেঞ্জৰ নিয়ম, উপবিধি আৰু ব্যৱসায়িক নিয়ম হিচাপে প্ৰযোজ্য হ'ব।

ii. **কমিচন আৰু অন্যান্য খৰচসমূহ:**
ট্ৰেড আৰম্ভ কৰাৰ পূৰ্বে আপুনি বহন কৰিবলগীয়া সকলো কমিচন, মাননি আৰু অন্যান্য খৰচৰ বিষয়ে আপোনাক পৰিষ্কাৰকৈ অৱগত কৰা হ'ব। এই খৰচে আপোনাৰ মুঠ লাভ (যদি আছে) অথবা আপোনাৰ লোকচানত প্ৰভাৱ পেলাব।

iii. সদস্য/স্বীকৃতপ্ৰাপ্ত ব্যক্তি/গ্ৰাহকৰ অধিকাৰ আৰু দায়িত্বৰ বিষয়ে জানিবলৈ *পৰিশিষ্ট 3* চাওক।

iv. 'কন্সটিটিউয়েন্ট' শব্দটোৰ অৰ্থ হ'ল গ্ৰাহক, অথবা বিনিয়োগকাৰী যিয়ে এক্সচেঞ্জৰ দ্বাৰা প্ৰদান কৰা ব্যৱস্থাৰ জৰিয়তে কম'ডিটি ডিৰাইভেটিভৰ ট্ৰেডিঙৰ বাবে সদস্যৰ হৈছে লেনদেন কৰে।

v. 'সদস্য' শব্দটোৰ অৰ্থ হ'ল ট্ৰেডিং সদস্য/ব্ৰ'কাৰ যি এক্সচেঞ্জ আৰু SEBI-ৰ দ্বাৰা প্ৰদান কৰা পঞ্জীয়ন স্বীকৃতিপত্ৰ প্ৰাপ্ত ব্যক্তি।